Content includes AI-generated material

www.newsnextone.com
# ই-সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

**ইউক্ৰেইনত এয়াৰ ষ্ট্ৰাইক! অসন্তুষ্ট ট্ৰাম্প**

মৰিষ্টাউন, ২৬ মে': 'এয়া ৰাছিয়াৰ পতনৰ কাৰণ হ'ব!' - ইউক্ৰেইনত ৰাছিয়াৰ ইতিহাসৰ আটাইতকৈ ভয়াৱহ ৫ পৃষ্ঠাত

TUESDAY, MAY 27, 2025 ■ মঙলবাৰ, ১২ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৪৯ Guwahati, Assam ।। মূল্যঃ এটকা



কোচিত উটি-ভাহি আহিছে কাৰ্গো জাহাজৰ কণ্টেইনাৰ

**ৰিপুন বৰাক নিৰ্বাচন পৰিচালনা সমিতিৰ দায়িত্ব**

## দলত এলাগী হ'ল নেকি ভূপেন বৰা? কি হ'ব ভৱিষ্যত?



ই-সংবাদ, ২৬ মে': অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি পদৰ পৰা অপসাৰিত হোৱাৰ পিছতে ভূপেন কুমাৰ বৰাৰ স্থিতি ৫ পৃষ্ঠাত

## টাইৱান দখলৰ পিছতে ৰঙা চীনৰ লক্ষ্য উত্তৰ-পূব!

নতুন দিল্লী, ২৬ মে': টাইৱান দখল কৰাৰ পিছত চীনৰ পিপলছ লিবাৰেচন আৰ্মীয়ে আক্ৰমণ চলাব পাৰে ভাৰতৰ উত্তৰ-পূবত! এই গুৰুতৰ সতৰ্কবাণী জাৰি কৰিছে আন্তৰ্জাতিক কৌশল বিশেষজ্ঞই। আন্তঃৰাষ্ট্ৰীয় মূল্যায়ন আৰু কৌশল কেন্দ্ৰৰ জ্যেষ্ঠ ৭ পৃষ্ঠাত

## জামিন পালে শংকৰজ্যোতিয়ে, গ্ৰেপ্তাৰ আটছা নেতা প্ৰকাশ চাহু

**দুই সংগঠনক আলোচনালৈ আমন্ত্ৰণ অইলৰ**

ই-সংবাদ, ২৬ মে': ৰাইজৰ সহযোগত দল-সংগঠনৰ প্ৰতিবাদ অব্যাহত থকাৰ মাজতে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে বৃহৎ সকাহ প্ৰদান কৰিছে শংকৰজ্যোতি বৰুৱাক ২ পৃষ্ঠাত

## ঘোষণা হ'ল অসমৰ ৰাজ্যসভা নিৰ্বাচনৰ দিন

গুৱাহাটী, ২৬ মে': অসমৰ খালী হ'বলগীয়া দুখন ৰাজ্যসভা আসনৰ ৪ পৃষ্ঠাত

## যোৰহাটত হিমন্তৰ বিৰুদ্ধে প্ৰতিবাদ



ই-সংবাদ, ২৬ মে': অসম প্ৰদেশ কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি গৌৰৱ ২ পৃষ্ঠাত

## গৌৰৱ গগৈক অভিনন্দন জনাই ববিতাৰ পদত্যাগ!

ই-সংবাদ, ২৬ মে': অসম কংগ্ৰেছত নাটকীয় পৰিৱৰ্তন দেখা গ'ল। কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃত্বই সাংসদ ৩ পৃষ্ঠাত

## ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ গালত পত্নীৰ চৰ!

হানয়, ২৬ মে': বিমানৰ ভিতৰত পত্নীৰ 'চৰ' খাবলগীয়া হ'ল ৩ পৃষ্ঠাত

## পাক গুপ্তচৰ! সেনা জোৱানক নিয়াৰ গ্ৰেপ্তাৰ

নতুন দিল্লী, ২৬ মে': এইবাৰ ভাৰতীয় সেনাবাহিনীতে ২ পৃষ্ঠাত

**কৰ্ণাটক, তেলেংগানাৰ আৰ্হিত অসমক লৈ কংগ্ৰেছ হাইকমাণ্ডৰ বিশেষ সিদ্ধান্ত**

# হিমন্তক ৰোধৰ লক্ষ্যৰে গৌৰৱ গগৈক সভাপতিৰ দায়িত্ব


**জাকিৰৰ প্ৰতি আস্থা অক্ষুন্ন, অন্তৰ্ভুক্ত ৰ'জলীনা, প্ৰদীপ সৰকাৰ**

**■ ভূপেন বৰা, ৰিপুণ বৰা প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইনক বিসম্বাদ ৰোধৰ লক্ষ্যৰে বিশেষ দায়িত্ব**



ই-সংবাদ, ২৩ মে': অৱশেষত অন্ত পৰিল অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি পদক লৈ অব্যাহত থকা জল্পনা-কল্পনা। সপ্তম পৃষ্ঠাত

## শ্ৰীভূমিত গৰা খহনীয়াত উটিল সীমান্তৰ ফেন্সিং



গুৱাহাটী, ২৬ মে': কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশত অসম আৰক্ষীয়ে সমগ্ৰ ৪ পৃষ্ঠাত

## আৰবী ভাষালৈ অনুবাদ 'বুঢ়ী আইৰ সাধু'

ই-সংবাদ, ২৬ মে': আৰবী ভাষালৈ অনুবাদ হ'ল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ যুগমীয়া সৃষ্টি 'বুঢ়ী আইৰ সাধু'। কামৰূপৰ সোণতলী গাঁৱৰ আবু চৈয়দ আনছাৰী নামৰ গৱেষকগৰাকীয়ে আৰবী ভাষালৈ অনুবাদ কৰিলে অসমীয়া জাতিৰ লোককথাৰ সম্পদ 'বুঢ়ী ৪ পৃষ্ঠাত

**ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ যুগমীয়া সৃষ্টিৰ অনুবাদ আবু চৈয়দ আনছাৰীৰ**

**ছেমিকণ্ডাক্টৰ প্ৰকল্পত আগত অসম**

## কংগ্ৰেছক লগত লৈ ডুবিব গৌৰৱঃ মুখ্যমন্ত্ৰী



ই-সংবাদ, গুৱাহাটী, ২৬ মে': যোৰহাটৰ সাংসদ গৌৰৱ গগৈক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি পদত নিযুক্তি প্ৰদানৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৫ পৃষ্ঠাত

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপৰ মদৰ দোকানৰ লাইচেন্স স্থগিত

ই-সংবাদ, ২৬ মে': অৱশেষত সেও মানিলে ৰাজ্য চৰকাৰে। ৰাজ্যজুৰি তীব্ৰ প্ৰতি- ৩ পৃষ্ঠাত

**হাস্পতাল নিৰ্মাণৰ বাবে মেডাণ্টা গ্ৰুপক ভূমি আৱণ্টন!**

## থলুৱাৰ ব্যৱসায় উচ্ছেদ কৰি বহিৰাগতক 'বৰপীৰা'




ই-সংবাদ বিশেষ, ২৬ মে': যোৱা ফেব্ৰুৱাৰীত মাহত অসম চৰকাৰে অনুষ্ঠিত কৰা এডভাণ্টেজ আসামত মেডাণ্টা - দ্য মেডিচিটিৰ লগত এক বুজাবুজি চুক্তি স্বাক্ষৰ কৰিছিল অসম চৰকাৰে।৭৫০ কোটি টকাৰ বিনিয়োগেৰে ৫০০ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাক গুপ্তচৰ! সেনা জোৱানক নিয়াৰ

ওলাল পাকিস্তানৰ গুপ্তচৰ! শত্ৰু দেশখনৰ হৈ চোৰাংচোৱাগিৰিৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ এজন জোৱান। অভিযুক্ত জোৱানজনক সোমবাৰে নতুন দিল্লীৰ পৰা গ্ৰেপ্তাৰ কৰে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই। অভিযোগ অনুসৰি তেওঁ পাকিস্তানী চোৰাংচোৱাৰ হাতত দেশখনৰ নিৰাপত্তা আৰু সুৰক্ষা সম্পৰ্কীয় কেইবাটাও গোপন তথ্য অৰ্পণ কৰি আছিল। খবৰ অনুসৰি, বিগত দুবছৰ ধৰি এই চোৰাংচোৱাগিৰি চলাই আহিছিল জোৱানজনে। এনআইএৰ বিবৃতি অনুসৰি অভিযুক্ত চিআৰপিএফ জোৱানজনৰ নাম মতিৰাম জাট। ২০২৩ চনৰ পৰা পাকিস্তানৰ বাবে চোৰাংচোৱাগিৰি কৰি আহিছিল মতিৰামে। পাকিস্তানৰ চোৰাংচোৱা বিষয়াক দেশখনৰ নিৰাপত্তা সম্পৰ্কীয় গোপন তথ্য প্ৰেৰণ কৰিছিল। কেৱল সেয়াই নহয়, পাকিস্তানৰ চোৰাংচোৱা এজেণ্টে মতিৰামলৈ বিভিন্ন প্ৰকাৰে প্ৰেৰণ কৰিছিল নগদ ধনো। কিন্তু অৱশেষত এনআইএৰ হাতত ধৰা পৰে মতিৰাম। পটিয়ালা হাউছ কোৰ্টৰ বিশেষ আদালতে তেওঁক ৬ জুনলৈকে এনআইএৰ জিম্মাত ৰখাৰ নিৰ্দেশ দিছে। বৰ্তমান তেওঁক এনআইএৰ বিষয়াই জেৰা অব্যাহত ৰাখিছে। মন কৰিবলগীয়া যে 'অপাৰেশ্যন সেন্দূৰ'ৰ পিছত ভাৰতীয় চোৰাংচোৱা সংস্থাসমূহে কেইবাজনো 'দেশদ্ৰোহী' ভাৰতীয়ৰ তথ্য লাভ কৰিছে। ইয়াৰ পূৰ্বে চোৰাংচোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল ইউটিউবাৰ জ্যোতি মালহোত্ৰাকো। তেওঁক জেৰা কৰাৰ পিছত তদন্তকাৰীয়ে কেইবাটাও চাঞ্চল্যকৰ তথ্য লাভ কৰে। তাৰ পিছতে পাকিস্তানৰ বাবে চোৰাংচোৱাগিৰি কৰাৰ অভিযোগত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা আৰু কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰা হৈছে। স্বাস্থ্যকৰ্মীৰ পৰা আৰম্ভ কৰি ব্যৱসায়ীলৈকে একাধিক বৃত্তিৰ লোকক পাকিস্তানী এজেণ্ট হোৱাৰ সন্দেহত গ্ৰেপ্তাৰ কৰা হৈছে। অৱশ্যে এইবাৰ সেই তালিকাত সংযোজন হ'ল খোদ চিআৰপিএফ জোৱানৰ নাম।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জামিন পালে শংকৰজ্যোতিয়ে, গ্ৰেপ্তাৰ

আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদকগৰাকীক গুৱাহাটী উচ্চ ন্যায়ালয়ে অন্তৰ্বৰ্তীকালীন জামিন মঞ্জুৰ কৰিছে। দ্বিতীয়টো গোচৰত শংকৰজ্যোতি গগৈয়ে আজি ন্যায়ালয়ে জামিন প্ৰদান কৰিছে। প্ৰথমটো গোচৰত ডিব্ৰুগড়ৰ আদালতে জামিন প্ৰদান কৰিছিল। উচ্চ ন্যায়ালয়ে জামিন প্ৰদান কৰিলেও ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত ৮ দিনে বন্দী হৈ থকা শংকৰজ্যোতিয়ে আজি মুকলি আকাশৰ তললৈ ওলাই আহিব নোৱাৰিব। নথি-পত্ৰ জমা কৰাৰ সময় পাৰ হৈ যোৱাত যদি চৰকাৰে নতুনকৈ কোনো গোচৰ ৰুজু নকৰে তেন্তে কাইলৈ মুকলি আকাশৰ তললৈ ওলাই আহিছে। ১৯ মে'ত আৰক্ষীয়ে নিজাববৰীয়াকৈ ৰুজু কৰা গোচৰ আৰু তনু শ্বাহী নামৰ অনা-অসমীয়া যুৱতীৰ এজাহাৰৰ ভিত্তিত শংকৰজ্যোতি বৰুৱাক গ্ৰেপ্তাৰ কৰা হৈছিল। সন্ধিয়া সোধা-পোছাৰ বাবে ঘৰৰ পৰা আৰক্ষীয়ে উঠাই আনি গোটেই নিশা আৰক্ষী থানাত ৰখাৰ অন্তত শংকৰজ্যোতি বৰুৱাক গ্ৰেপ্তাৰ কৰা হৈছিল। ১৭ মে'ত দুলীয়াজান আৰক্ষী থানাৰ সমীপৰ অইলৰ মাটিত থকা বি এন সিং পেট্ৰ'ল ডিপোত সংঘটিত হৈছিল মাৰপিটৰ ঘটনা। তেল ডিপটো লীজত লোৱা দুটা পক্ষই তীব্ৰ মাৰপিট কৰি থকাৰ সময়তে কাজিয়া ভাঙিবলৈ গৈছিল আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। তাৰ পিছতে তনু শ্বাহী নামৰ যুৱতীগৰাকীয়ে অসম জাতিক ধৰি অশ্লীল গালি-গালাজ কৰাৰ লগতে ফ্ৰী-মে-খানেৱালা লোক বুলি কৈ অসমীয়া জাতিক অপমান কৰিছিল। শংকৰজ্যোতি বৰুৱাক জামিন প্ৰদান কৰাৰ পিছতে মাতৃ ৰুমী বৰুৱাই অসমবাসীক ধন্যবাদ জনাইছে। মাতৃ ৰুমী বৰুৱাই পুত্ৰই জেলত থকাৰ সময়ত কেনেদৰে দিন পাৰ কৰিছো সেই কথা ক'ব নোৱাৰিম বুলি কৈ অসমৰ দল-সংগঠনে বিপদৰ সময়ত মাত দিয়াত অসমবাসীক ধন্যবাদ জ্ঞাপন কৰিছে। শংকৰজ্যোতি বৰুৱাক লৈ আছুৱে কৰা মন্তব্যক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। শংকৰজ্যোতি বৰুৱা ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈছে হোৱা বুলি দাবী কৰি ন্যায়ালয়ৰ শুনানি নোহোৱা পৰ্যন্ত দোষী সাব্যস্ত কৰাটো উচিত নহয় বুলি কয়। ইপিনে আজি তেল ডিপো সংঘাত কাণ্ডৰ সৈতে জড়িত থকাৰ আন এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে দুলীয়াজান আৰক্ষীয়ে। ঘটনা সন্দৰ্ভত আটছা নেতা প্ৰকাশ চাহুক দুলীয়াজান আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। তনু শ্বাহীয়ে দাখিল কৰা এজাহাৰত প্ৰকাশ চাহুৰ নাম উল্লেখ কৰিছিল। দুলীয়াজানৰ পেট্ৰ'ল ডিপোৰ ঘটনাৰ পিছতে বহিৰাগতক অইলে দিয়া মাটিৰ লীজ বাতিল কৰাৰ দাবী উত্থাপন কৰিছিল অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ আৰু বীৰ লাচিত সেনাই। বীৰ লাচিত সেনা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদক অইলে আলোচনাৰ বাবে নিমন্ত্ৰণ জনাইছে। আজি দুয়োটা সংগঠনে এখনকৈ পত্ৰ প্ৰেৰণ কৰি অহা ২ জুনত আলোচনাৰ বাবে আমন্ত্ৰণ জনাইছে। বীৰ লাচিত সেনাই কয় যে দুলীয়াজান অইল ইণ্ডিয়া লিমিটেডে আলোচনাৰ বাবে বীৰ লাচিত সেনা অসমক আমন্ত্ৰণ কৰিছে। আমি বিষয়টো ৰাইজৰ দৃষ্টিগোচৰ কৰিলো। ৰাইজৰ যদি কিবা পৰামৰ্শ থাকে তেন্তে আমাক কমেণ্ট আৰু ইনবক্সত জনাব। ৰাইজৰ সকলো বিষয় আমি এই আলোচনাত উত্থাপন কৰিবলৈ চেষ্টা কৰিম।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটত হিমন্তৰ বিৰুদ্ধে প্ৰতিবাদ

গগৈৰ নেতৃত্বত আজি যোৰহাট জিলা কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰিছে। কেইবা শ কংগ্ৰেছ নেতা-কৰ্মীয়ে হাতে হাতে বেনাৰ প্লেকাৰ্ড লৈ ৰাজপথলৈ ওলাই আহে। মুখ্যমন্ত্ৰীয়ে পঞ্চায়ত নিৰ্বাচনৰ সময়ত অসমৰ মহিলা-যুৱতীক লৈ কৰা এক বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে কংগ্ৰেছ নেতা-কৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰিছে। নেতা-কৰ্মীয়ে মুখ্যমন্ত্ৰী বিৰোধী শ্ল'গান দি উত্তাল কৰি তোলে যোৰহাটৰ আকাশ-বতাহ। যোৰহাট জিলা মহিলা কংগ্ৰেছৰ উদ্যোগত সাব্যস্ত কৰা প্ৰতিবাদত গৌৰৱ গগৈ, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, প্ৰদেশ মহিলা কংগ্ৰেছৰ সভাপতি মীৰা বৰঠাকুৰ, প্ৰাক্তন সাংসদ ৰিপুন বৰা, তিতাবৰৰ সাংসদ ভাস্কৰ বৰুৱা উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে অসমৰ মহিলাক অপমান কৰাৰ অভিযোগ উত্থাপন কৰিছে। প্ৰতিবাদকাৰীসকলে বিতৰ্কিত মন্তব্যক লৈ মুখ্যমন্ত্ৰীক ক্ষমা খোজাৰ দাবী জনায়। আনহাতে উচিত তদন্ত দাবী কৰে উগ্ৰ প্ৰতিবাদ সাব্যস্ত কৰা কংগ্ৰেছ নেতা-নেত্ৰীয়ে। এই প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত যোৰহাট ৰাজীৱ ভৱনত অনুষ্ঠিত এক সভাত গৌৰৱ গগৈয়ে ৰাজ্য চৰকাৰক তীব্ৰ আক্ৰমণ কৰে। মহিলাক কৰা অপমানৰ বাবে অসমৰ নাৰীসমাজক ক্ষমা খুজিবলৈ দাবী জনায়। গৌৰৱ গগৈয়ে অসমত ভয়-ভীতিৰ পৰিৱেশ গঢ়ি উঠা বুলি প্ৰকাশ কৰি যাৰ বাবে অসমত মহিলাসকলে ভয় কৰি আজি ৰাজপথলৈ ওলাই আহিছে বুলি মন্তব্য কৰে। লগতে তেওঁ কয় যে ভয়ত ঘৰত বহি থকা নাই। যিসকল প্ৰাৰ্থীয়ে পঞ্চায়ত নিৰ্বাচনত বহু ভয়-ভাবুকিৰ পিছতো নিৰ্বাচনী যুঁজি দিলে সেইসকলক শ্ৰদ্ধা জ্ঞাপন কৰিছো। আগতে অসমত নিৰ্বাচন হৈছিল কংগ্ৰেছ বনাম বিজেপি-অগপৰ মাজত। কিন্তু এইবাৰ নিৰ্বাচন হৈছিল কংগ্ৰেছ বনাম প্ৰশাসন-চৰকাৰী আঁচনি। পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমীয়া নাৰীৰ বিৰুদ্ধে কৰা অশালীন মন্তব্য প্ৰদান কৰিছিল। বৰছলাৰ এখন সভাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এপিএছচি কেলেংকাৰীৰ প্ৰতিবেদনৰ দোহাই দি কংগ্ৰেছ চৰকাৰৰ দিনত অসমৰ বোৱাৰী-ছোৱালীয়ে চাকৰিৰ বাবে সতীত্ব হৰণ কৰিবলগীয়া বুলি কছিল। যাক লৈ কংগ্ৰেছে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। অসম প্ৰদেশ মহিলা কংগ্ৰেছে অসম ৰাজ্যিক মহিলা আয়োগক এখন পত্ৰ প্ৰদান কৰিছিল। প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীয়ে আজি প্ৰতিবাদত অংশ লৈ কয় যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই যি মন্তব্য কৰিছে সেই সম্পৰ্কত চিবিআই তদন্ত হ'ব লাগে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যেতিয়ালৈকে মহিলাসকলক ক্ষমা নোখোজে তেতিয়ালৈকে প্ৰতিবাদ কৰি যাব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপৰ মদৰ

ক্ৰিয়াৰ সৃষ্টি হোৱাত ৰাজ্য চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপত মদৰ বিপণী বহুৱাবলৈ দিয়া অনুজ্ঞাপত্ৰ স্থগিত কৰিছে। ৰাজ্যবাসী তথা সুধী সমাজে মদৰ বিপণী বাতিল কৰাৰ দাবী উত্থাপন কৰিছিল যদিও আজি আবকাৰী মন্ত্ৰী অতুল বৰাই সামাজিক মাধ্যম যোগে অনুজ্ঞাপত্ৰ স্থগিত ৰখাৰ কথা ঘোষণা কৰে। আজি অতুল বৰাই সামাজিক মাধ্যম যোগে এই কথা ঘোষণা কৰে। মন্ত্ৰী অতুল বৰাই কয় যে গুৱাহাটীৰ এখন প্ৰখ্যাত উচ্চ শিক্ষানুষ্ঠানৰ নাতিদূৰৈত আই এম এফ এলৰ 'অন' অনুজ্ঞাপত্ৰ প্ৰদান সন্দৰ্ভত সংবাদ মাধ্যমৰ বাতৰিসমূহ গুৰুত্বসহকাৰে লক্ষ্য কৰিছো। আবকাৰী বিভাগে বৰ্তমানৰ অসম আবকাৰী বিধি অনুসৰি অনুজ্ঞাপত্ৰখন প্ৰদান কৰিছিল যদিও বিষয়টোৰ সংবেদনশীলতাৰ প্ৰতি লক্ষ্য ৰাখি মই আবকাৰী বিভাগৰ আয়ুক্ত সচিব ৰাকেশ কুমাৰ আৰু আবকাৰী আয়ুক্ত জিতু দলেক পৰৱৰ্তী নিৰ্দেশ নোহোৱা পৰ্যন্ত অনুজ্ঞাপত্ৰখন স্থগিত ৰাখিবলৈ নিৰ্দেশ দিওঁ। আবকাৰী বিভাগে গুৱাহাটী মহানগৰীৰ জালুকবাৰীৰ পাণ্ডু-সাদিলাপাৰৰ ৰাষ্ট্ৰীয় ঘাইপথ-৩৭ বাইপাছ সংলগ্ন এলেকাত থকা এম/এছ এঞ্জলে বাৰ কাম ৰেষ্টুৰেণ্টক বিদেশী মদ বিক্ৰীৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিছে। অসমৰ প্ৰজ্ঞাৰ বৰঘৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপত বিদেশী মদ বিক্ৰীৰ দোকান খুলিবলৈ অনুমতি দিয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। আবকাৰী বিভাগে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰত থকা এখন বাৰ আৰু ৰেষ্টুৰেণ্টক বিদেশী মদ বিক্ৰীৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰাত ছাত্ৰ সমাজৰ লগতে স্থানীয় ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছিল। বিশ্ববিদ্যালয় ছাত্ৰ সমাজ, প্ৰশাসনে তীব্ৰ আপত্তি জনাইছিল। বিশ্ববিদ্যালয়ৰ মতে, এই ধৰণৰ মদৰ দোকানে শিক্ষাৰ পৰিৱেশ বিঘ্নিত কৰাৰ লগতে বিদ্যায়তনিক পৰিৱেশ ধ্বংস কৰিব। প্ৰতিষ্ঠানখনৰ গৰাকী কাবেৰী দাসত লাইচেন্স প্ৰদান কৰিছে। বাৰখন সাদিলাপাৰ গাঁৱৰ দাগ নম্বৰ ৬৬৯ আৰু পট্টা নম্বৰ ৭৮ৰ অন্তৰ্গত কৰুণা দাসৰ মালিকানাধীন ভাড়াত লোৱা জমিত চলি আছে। তথাপি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰত মদৰ দোকান স্থাপন হোৱাত শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। স্থানীয় ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হোৱাত ১৩ আগষ্টত বিশ্ববিদ্যালয়ৰ পঞ্জীয়কে কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল। লগতে বিশ্ববিদ্যালয়ৰ ওচৰত মদৰ দোকান নিদিবলৈ ৰাইজে কৈ আহিছে। পত্ৰখনত উল্লেখ কৰা হৈছিল যে এই ধৰণৰ দোকানে অনৈতিক কাৰ্যকলাপ বৃদ্ধি কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ গালত পত্নীৰ চৰ!

ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰন। পত্নী ব্ৰীজিট মেক্ৰনৰ সৈতে ভিয়েটনামলৈ ৰাষ্ট্ৰীয় ভ্ৰমণৰ সময়তে সামাজিক মাধ্যমত ভাইৰেল হৈ পৰা এটা ভিডিঅ'ই ফ্ৰান্সৰ ৰাজনীতিত সূত্ৰপাত ঘটাইছে বিতৰ্কৰ। এই ভিডিঅ'টোৰ জৰিয়তে অভিযোগ উত্থাপিত হোৱা অনুসৰি, বিমানৰ ভিতৰত ৰাষ্ট্ৰপতি মেক্ৰনৰ গালত 'চৰ' শোধাইছিল পত্নী ব্ৰীজিট মেক্ৰনে। ইতিমধ্যে ফ্ৰান্সৰ লগতে সমগ্ৰ বিশ্বৰ সংবাদ মাধ্যমৰ বাবে বাতৰিৰ শিৰোনাম হৈ পৰিছে এই খবৰ। বাতৰি অনুসৰি, বিমানৰ ভিতৰত পতি-পত্নীৰ মাজত হোৱা তৰ্কৰ বাবেই সূচনা হয় এই ঘটনাৰ। অৱশ্যে এয়া এক 'ধেমালি' বুলি উলাই কৰিছে ৰাষ্ট্ৰপতি মেক্ৰনে। দৰাচলতে, এটা ভাইৰেল ভিডিঅ'ত দেখা গৈছে যে দেওবাৰে সন্ধিয়া হানয় বিমানবন্দৰত বিমানখনৰ দুৱাৰ খোলাৰ পিছত মেক্ৰনে পত্নীৰ ফালে মুখ কৰি থিয় হৈ আছে। ইয়াৰ পিছতে ব্ৰীজিট মেক্ৰনে হাত দাঙি ৰাষ্ট্ৰপতিগৰাকীৰ গালত আঘাত কৰা বুলি অভিযোগ উত্থাপন হয়। ইফালে এই ঘটনাৰ পিছতে কিছু সময়ৰ বাবে স্তম্ভিত হৈ পৰে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি। তাৰ পিছতে বিমানৰ দুৱাৰখন খোলা থকাটো লক্ষ্য কৰি তেওঁ খৰধৰকৈ ঘূৰি তলৰ কেমেৰাবোৰলৈ উদ্দেশ্যি অভিবাদনসূচক হাত জোকাৰে। ইয়াৰ পিছতে দুয়ো একেলগে বিমানৰ পৰা নামি আহে। মেক্ৰনৰ ঘনিষ্ঠ সূত্ৰই এক্সপ্ৰেছ ইউ এছক জনোৱা মতে, এইটো এটা "ধেমালিসূচক কাৰ্য" আছিল আৰু সামাজিক মাধ্যমত বিয়পি পৰা নেতিবাচক প্ৰতিক্ৰিয়াৰ বাবে "ৰাছিয়া সমৰ্থক গোট"ক দোষাৰোপ কৰে। মেক্ৰন দলৰ এজন বিষয়াই কয় যে ভ্ৰমণৰ পূৰ্বে ৰাষ্ট্ৰপতি আৰু তেওঁৰ পত্নীৰ বাবে এয়া আছিল লঘু হাঁহি আৰু স্ফূৰ্তিৰ মুহূৰ্ত। মন কৰিবলগীয়া যে কেইদিনমানৰ বাবে ৰাষ্ট্ৰপতি মেক্ৰন ভিয়েটনামত থাকিব। এই ভ্ৰমণৰ সময়ত তেওঁ ফৰাচী প্ৰভাৱ বৃদ্ধিৰ লক্ষ্যৰে কেইবাখনো চুক্তিত স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে। মেক্ৰন বিগত সময়ত বিভিন্ন ষড়যন্ত্ৰমূলক তত্ত্ব আৰু ডিপফেকৰ বলি হৈছিল, যিবোৰৰ কাৰণ প্ৰায়ে ৰাছিয়া সমৰ্থকক দোষাৰোপ কৰি অহা পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱ গগৈক অভিনন্দন জনাই ববিতাৰ

গৌৰৱ গগৈক অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ নতুন সভাপতি হিচাপে মনোনয়ন দিয়াৰ পিছতে দলটোৰ জ্যেষ্ঠ মুখপাত্ৰ ববিতা শৰ্মাই দলৰ সকলো পদৰ পৰা পদত্যাগ ঘোষণা কৰে। ববিতা শৰ্মা বিগত ৩০ বছৰৰো অধিক সময় ধৰি কংগ্ৰেছ দলৰ সৈতে জড়িত হৈ গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত আছিল। তেওঁ ২০০২ চনৰ পৰা কংগ্ৰেছৰ মুখপাত্ৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছিল আৰু ২০১৬ আৰু ২০১৯ ৰ নিৰ্বাচনত প্ৰাৰ্থী হিচাপে দলক প্ৰতিনিধিত্ব কৰিছিল। দলত তেওঁৰ দীঘলীয়া অৱদানৰ প্ৰতি লক্ষ্য ৰাখি তেওঁৰ হঠাৎ পদত্যাগে ৰাজনৈতিক মহলত চৰ্চা হৈছে। ববিতা শৰ্মাই গৌৰৱ গগৈক সভাপতি পদ দিয়াৰ পিছতে পদত্যাগ কৰিছে। ববিতা শৰ্মাই কয় যে ব্যক্তিগত কাৰণত মই অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সকলো ৰাজনৈতিক পদৰ পৰা পদত্যাগ কৰাৰ সিদ্ধান্ত লৈছো। মই এআইচিচি আৰু এপিচিচিৰ সকলো নেতাক কৃতজ্ঞতা জ্ঞাপন কৰিছো। নতুন সভাপতি গৌৰৱ গগৈক শুভেচ্ছা জনাই কয় যে আশা কৰিছো নতুন নেতৃত্বই দলটোক ভিতৰৰ পৰা পৰিষ্কাৰ কৰি অধিক সুসংগঠিত ৰূপত আগবঢ়াব। শৰ্মাই লগতে উল্লেখ কৰে যে তেওঁ পৱন সিং ঘাটোৱাৰ, আৰ পি শৰ্মা আদি নেতাসকলৰ সৈতে এআইচিচিৰ পঞ্চায়ত নিৰ্বাচন তদন্ত সমিতিৰ সদস্য হিচাপে কাম কৰিছিল আৰু দলৰ উন্নতিৰ বাবে দিয়া পৰামৰ্শসমূহ মানি চলাৰ আশা ব্যক্ত কৰে। গৌৰৱ গগৈৰ সভাপতি পদ লাভৰ পিছতে কংগ্ৰেছৰ ভিতৰত আৰম্ভ হোৱা অসন্তোষৰ ইংগিতস্বৰূপে ববিতা শৰ্মাৰ পদত্যাগক লৈ ৰাজনৈতিক মহলত তীব্ৰ চৰ্চা চলি আছে। অসমৰ আগন্তুক ৰাজনৈতিক পৰিৱেশত এই পদত্যাগে কিদৰে প্ৰভাৱ পেলাব সেয়া সময়েহে ক'ব পাৰিব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঘোষণা হ'ল অসমৰ ৰাজ্যসভা নিৰ্বাচনৰ

বাবে দ্বিবাৰ্ষিক নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিলে নিৰ্বাচন আয়োগে। নিৰ্বাচন আয়োগে ঘোষণা কৰা মতে, অহা ১৯ জুনত অনুষ্ঠিত হ'ব নিৰ্বাচন। উল্লেখ্য যে ১৪ জুনত অন্ত পৰিব বিজেপিৰ বৰ্তমানৰ দুই ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল। আয়োগে ঘোষণা কৰা সূচী অনুসৰি অহা ২ জুনত অসমত এই দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হ'ব। মনোনয়ন-পত্ৰ দাখিলৰ অন্তিম তাৰিখ ৯ জুন আৰু ১০ জুনত মনোনয়ন-পত্ৰৰ পৰীক্ষা কৰা হ'ব। প্ৰাৰ্থীয়ে ১২ জুনলৈকে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। ১৯ জুনত ভোটদান সম্পন্ন হোৱাৰ পিছত একেদিনাই বিয়লি ৫ বজাৰ পৰা আৰম্ভ হ'ব ভোটগণনা প্ৰক্ৰিয়া। ইফালে, অসমৰ লগতে তামিলনাডুৰ ৰাজ্যসভাৰ আসনৰ বাবেও অনুষ্ঠিত হ'ব নিৰ্বাচন। উল্লেখ্য যে অহা ২৪ জুলাইত অন্ত পৰিব ৰাজ্যখনৰ ছগৰাকী সংসদ সদস্যৰ কাৰ্যকাল। আনহাতে, দেশত পুনৰ বৃদ্ধি পোৱা কোভিড-১৯ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন নিৰাপদে পৰিচালনাৰ বাবে প্ৰয়োজনীয় পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ব্যৱস্থা পালন কৰা হ'ব বুলি জানিবলৈ দিয়ে নিৰ্বাচন আয়োগে। আয়োগে স্বচ্ছতা, ন্যায়পৰায়ণতা, আৰু জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতি পুনৰবাৰ উল্লেখ কৰি কয় যে প্ৰক্ৰিয়াটোৰ যিকোনো পৰিৱৰ্তন হ'লে তৎকালীনভাৱে অৱগত কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# থলুৱাৰ ব্যৱসায় উচ্ছেদ কৰি বহিৰাগতক

বিছনাযুক্ত এখন চিকিৎসালয় নিৰ্মাণৰ বাবে বুজাবুজি চুক্তি স্বাক্ষৰিত হোৱা বুলি মেডান্টা - দ্য মেডিচিটিৰ কাৰ্যবাহী বিষয়া ডাঃ নৰেশ তেহৰানে জানিবলৈ দিছিল। সেই চুক্তি অনুসৰি এতিয়া গুৱাহাটীৰ নালাপাৰাত এখন চিকিৎসালয় স্থাপন কৰিবলৈ ওলাইছে মেডান্টা গ্ৰুপে। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল যে নালাপাৰাৰ দুখনকৈ স্থানীয় ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ কৰি দি সেই ভূমি অধিগ্ৰহণ কৰি মেডান্টাক গতাই দিছে অসম চৰকাৰে। এগৰাকী অসমীয়া ব্যৱসায়ীয়ে নালাপাৰাত চলাই আছিল ইডেন গাৰ্ডেন নামৰ এখন নাৰ্ছাৰী। তাৰ কাষতে আন এজনে চলাই আছিল অভিজিত অটো এজেঞ্চি প্ৰাইভেট লিমিটেড নামৰ এটা গাড়ী বিক্ৰী প্ৰতিষ্ঠান। এতিয়া এই দুয়োটা প্ৰতিষ্ঠানক ৪৫ দিনৰ ভিতৰত সেই ঠাই খালী কৰিবলৈ জাননী প্ৰেৰণ কৰা হৈছে। এই মাটিখিনিত মেডান্টাৰ চিকিৎসালয় নিৰ্মাণৰ যো-জা ইতিমধ্যেই আৰম্ভ হৈছে। যাৰ ফলত সেই স্থানত কষ্টৰে ব্যৱসায় কৰি থকা দুজনকৈ ব্যৱসায়ীৰ লগতে তাত কৰ্মৰত কৰ্মচাৰীসকলৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। উল্লেখ্য যে এডভান্টেজ আসামৰ সময়ত সচেতন ব্যক্তিসকলে কৈছিল যে এডভান্টেজ আসামত বিনিয়োগ কৰা কোম্পানীসমূহক ব্যৱসায় আৰু উদ্যোগ স্থাপনৰ বাবে অসমত বৃহৎ পৰিমাণৰ মাটিৰ প্ৰয়োজন হ'ব। সেই মাটি চৰকাৰে কেনেকৈ ক'ৰ পৰা দিব সেই সিদ্ধান্ত নোলোৱাকৈয়ে কোম্পানীসমূহৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছিল। তেতিয়াই বিদ্বৎ মহলে আশংকা কৰিছিল যে কোম্পানীসমূহক মাটি দিয়াৰ বাবে বহু অঞ্চলত গছ-বন কাটি মাটি মুকলি কৰা হ'ব। প্ৰাকৃতিক অঞ্চল উদ্যোগে দখল কৰাৰ ফলত বিস্তৰ পাৰিৱেশিক ক্ষতি হ'ব। ইয়াৰ উপৰি বহু খিলঞ্জীয়া আৰু ভূমিহীন লোকক উচ্ছেদ কৰি বহিৰাগত উদ্যোগপতি, কোম্পানীৰ বাবে মাটি মুকলি কৰা হ'ব। এতিয়া নালাপাৰাত দুই স্থানীয় ব্যৱসায়ীৰ মাটি অধিগ্ৰহণ কৰি বহিৰাগত ব্যৱসায়ীক বৰপীৰা পাৰি দিয়া কাণ্ডই সচেতন মহলৰ এই আশংকাক সঁচা বুলি প্ৰমাণিত কৰিছে। ইতিমধ্যে পলাশবাৰীৰ দৰাবিল অঞ্চলৰ মাটিও কোম্পানীক গতোৱাৰ যো-জা কৰিছে চৰকাৰে। অনেক স্থানীয় বৰসায়ী, খিলঞ্জীয়াৰ পৰা চৰকাৰে বাণিজ্য প্ৰতিষ্ঠান, ঘৰ-দুৱাৰ কাঢ়ি যে পুঁজিপতিক গতাব সেয়া স্পষ্ট হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰবী ভাষালৈ অনুবাদ 'বুঢ়ী আইৰ সাধু'

আইৰ সাধু'। ইজিপ্তৰ কাইৰোৰ এটা বিখ্যাত প্ৰকাশন দাৰ আল-মাছৰিয়া আল-মাগ্ৰিবিয়া লিল-নাশ্বৰ ৱাল-টাউজীয়ে প্ৰকাশ কৰিছে এই গ্ৰন্থখন। বৰ্তমান দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত ডক্টৰেট ডিগ্ৰীৰ গৱেষণা কৰি থকা অনুবাদক আনছাৰীয়ে কয় যে মই অসমীয়া আৰু আৰবী দুয়োটা ভাষাৰ সাহিত্য অধ্যয়ন কৰিছোঁ। সেয়েহে অসমীয়া সাহিত্যৰ অনবদ্য গ্ৰন্থ 'বুঢ়ী আইৰ সাধু' আৰবী ভাষালৈ অনুবাদ কৰাৰ কথা পৰিকল্পনা কৰিলোঁ। এজন সাহিত্যৰ ছাত্ৰ হিচাপে মই সদায় গল্পৰ লগত সংস্কৃতিৰ সংযোগৰ শক্তিত বিশ্বাস কৰি আহিছো। এই অনুবাদৰ জৰিয়তে দুটা ভাষাৰ মাজৰ ব্যৱধান দূৰ হোৱাৰ লগতে আৰবী ভাষী জগতখনে অসমীয়া সাহিত্যৰ সমৃদ্ধিৰ পৰিচয় লাভ কৰিব। ইয়াৰ উপৰি আৰবী ভাষাক কেনেকৈ প্ৰায়ে ধৰ্মীয় চশমাৰে সংকীৰ্ণভাৱে চোৱা হয় আৰু ইয়াৰ বিশাল সাহিত্য পৰম্পৰাক উপেক্ষা কৰা হয় সেই কথাও তেওঁ উল্লেখ কৰে। তেওঁৰ মতে এই অনুবাদে এনে ধাৰণা দূৰ কৰাত সহায় কৰাৰ লগতে আৰবী পাঠকসকলক অসমীয়া সাহিত্যৰ সৈতেও পৰিচয় কৰাই দিব। তেওঁ লগতে কয় যে অনুবাদৰ সময়ত মোক সহায় কৰাৰ বাবে বন্ধু মুহচিন এম কেক কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। মোক অনুবাদৰ কামত সহায় কৰাৰ ক্ষেত্ৰত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। লগতে মোৰ এই যাত্ৰাত মোক অনুপ্ৰাণিত কৰাৰ লগতে অতি যত্নৰে বৰ্ণাশুদ্ধি কৰি দিয়া অধ্যাপক মুজিবুৰ ৰহমানক মই বিশেষভাৱে ধন্যবাদ জনাইছো। উল্লেখ্য যে ইতিমধ্যে ইজিপ্তত মুক্তি পোৱা 'বুঢ়ী আইৰ সাধু'ৰ আৰবী সংস্কৰণটো অতি সোনকালে ভাৰতত উপলব্ধ হোৱাৰ সম্ভাৱনা আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্ৰীভূমিত গৰা খহনীয়াত উটিল সীমান্তৰ

ৰাজ্যত অবৈধ নাগৰিক, বিশেষকৈ নথি-পত্ৰবিহীন বাংলাদেশীক চিনাক্ত কৰি আটক কৰি ব্যাপক অভিযান চলাই থকাৰ সময়তে বৰাকৰ শ্ৰীভূমি জিলাত উন্মুক্ত হৈ পৰিছে বাংলাদেশ সীমান্ত। শ্ৰীভূমিৰ লখিবজাৰত ভাৰত-বাংলাদেশ সীমান্তত থকা কাঁইটীয়া তাঁৰৰ বেৰ খহি পৰিছে। কুশিয়াৰা নৈৰ ভয়ংকৰ খহনীয়াত কাঁইটীয়া তাঁৰৰ বেৰ ভাঙি পৰিছে। সীমান্ত সুৰক্ষাৰ ক্ষেত্ৰত এই ঘটনা এক গুৰুতৰ সংকট হিচাপে বিবেচিত হৈছে। উল্লেখযোগ্য যে উত্তৰ শ্ৰীভূমি বিধানসভা সমষ্টিৰ জগন্নাথী অঞ্চলত কুশিয়াৰা নৈত ইতিমধ্যেই সীমান্তৰ কাঁইটীয়া বেৰৰ তলত থকা মাটিৰ এক বৃহৎ অংশ খহি পৰিছে। এই পৰিস্থিতিৰ প্ৰেক্ষাপটত সীমান্ত সুৰক্ষা বাহিনীৰ (বিএছএফ) বাহিনীয়ে জৰুৰীভাৱে ব্যৱস্থা গ্ৰহণ কৰিছে। বিএছএফ বাহিনীয়ে ২৪ ঘণ্টা ধৰি কাম-কাজ আৰম্ভ কৰিছে। যাতে খহনীয়া ৰোধ কৰিব পৰা যায়। অত্যধিক বৰষুণৰ ফলত কুশিয়াৰা নৈৰ পানী বাঢ়ি অহাত খহনীয়া আৰম্ভ হৈছে। কুশিয়াৰাৰ পানী বিপদসীমাৰ তলত আছে যদিও খহনীয়া আৰম্ভ হৈছে। স্থানীয় ৰাইজে পৰিস্থিতি তীব্ৰ গতিত বেয়াৰ দিশলৈ গতি ল'ব বুলি সতৰ্ক কৰিছে। এজন স্থানীয় নিবাসীয়ে কয় যে আমাৰ চকুৰ সন্মুখতেই সীমান্তৰ বেৰ ভাঙি আছে। যদি পদক্ষেপ গ্ৰহণ কৰা নহয়, তেন্তে বিএছএফৰ চকী আৰু বিস্তীৰ্ণ এলেকা বানত প্লাৱিত হোৱাৰ আশংকা আছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইউক্ৰেইনত এয়াৰ ষ্ট্ৰাইক! অসন্তুষ্ট ট্ৰাম্প

বিমান আক্ৰমণৰ এদিন পিছতে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনক কঠোৰ সতৰ্কবাণী জাৰি কৰিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। শেহতীয়াকৈ পুটিনৰ প্ৰতি সংযম প্ৰদৰ্শনৰ পিছতো ট্ৰাম্পৰ অস্বাভাৱিক কঠোৰ মন্তব্যই আন্তঃৰাষ্ট্ৰীয় সমাজত পুনৰ আলোড়নৰ সৃষ্টি কৰিছে। দেওবাৰে নিউ জাৰ্ছিৰ মৰিষ্টাউন বিমানবন্দৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ট্ৰাম্পে স্পষ্টভাৱে কয় যে মই পুটিনক লৈ সুখী নহয়। তেওঁ লগতে কয়, "তেওঁ বহুত মানুহক হত্যা কৰিছে। পুটিনৰ কি হৈছে মই নাজানো! মই তেওঁক বহুদিনৰ পৰা চিনি পাওঁ। তেওঁৰ সৈতে মোৰ সদায় ভাল সম্পৰ্ক আছে। কিন্তু তেওঁ চহৰলৈ মিছাইল প্ৰেৰণ কৰি মানুহক হত্যা কৰিছে। মোৰ একেবাৰেই ভাল লগা নাই।" ট্ৰাম্পে কয়, "আমি কথা পাতি থকাৰ সময়ত তেওঁ কিয়েভ আৰু অন্যান্য চহৰত মিছাইল নিক্ষেপ হৈছে, যিটো মই একেবাৰে পছন্দ কৰা নাই।" ৰাছিয়াৰ ভয়ংকৰ এয়াৰ ষ্ট্ৰাইকৰ প্ৰতিক্ৰিয়া স্বৰূপে এই মন্তব্য কৰে ট্ৰাম্পে। উল্লেখ্য যে শনিবাৰে নিশা ৰাছিয়াই সমগ্ৰ ইউক্ৰেইনত ৩৬৭ টা ড্ৰ'ন আৰু মিছাইল নিক্ষেপ কৰি কিয়েভকে ধৰি কেইবা ডজন অঞ্চলত আঘাত হানে। এই আকাশী আক্ৰমণত কমেও ১২ জন লোকৰ মৃত্যু হয়। ইউক্ৰেইনৰ সেনাই ৪৫টা ক্ষেপণাস্ত্ৰ নিৰ্মূল কৰাৰ লগতে ২৬৬ খন ড্ৰ'ন ধ্বংস কৰা বুলি দাবী কৰিছে। ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কয় যে এই আক্ৰমণৰ ফলত ৩০খনতকৈও অধিক চহৰ আৰু গাঁও ক্ষতিগ্ৰস্ত হৈছে। এই আক্ৰমণৰ পিছতে নিজৰ 'ট্ৰুথ ছ'চিয়েল' একাউন্টত ট্ৰাম্পে উল্লেখ কৰে যে পূৰ্বতে পুটিনৰ সৈতে তেওঁৰ "ভাল সম্পৰ্ক" আছিল যদিও এতিয়া ৰাছিয়াৰ নেতাগৰাকী "একেবাৰে উন্মাদ" হৈ পৰিছে। আনহাতে, ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে আন্তঃৰাষ্ট্ৰীয় সঁহাৰিৰ অভাৱত অসন্তুষ্টি প্ৰকাশ কৰিছে। তেওঁ আমেৰিকাক প্ৰত্যক্ষভাৱে সমালোচনা কৰি কয় যে, "আমেৰিকাৰ মৌনতা আৰু বাকী বিশ্বৰ মৌনতাই কেৱল পুটিনক উৎসাহিত কৰিছে।" তেওঁ সকীয়াই দিয়ে যে বিশ্বব্যাপী প্ৰবল হেঁচা অবিহনে এই যুদ্ধ বন্ধ নহ'ব। জেলেনস্কিয়ে লগতে কয়, "পৃথিৱীখন হয়তো বিৰামত আছে, কিন্তু বিৰামৰ দিন বা সপ্তাহৰ দিন যিয়েই নহওক কিয় যুদ্ধ চলি থাকে।" অন্যহাতে, শেহতীয়াকৈ যুদ্ধবিৰতিৰ চেষ্টা কৰা ট্ৰাম্পে নিশ্চিত কৰিছে যে তেওঁ যোৱা সপ্তাহত পুটিন আৰু জেলেনস্কি দুয়োৰে সৈতে কথা পাতিছিল। পুটিনৰ সৈতে তেওঁৰ বাৰ্তালাপ দুঘণ্টাৰো অধিক সময় ধৰি চলিছিল। কিন্তু তুৰস্কত পুটিনে পৰিকল্পিতভাৱে বৈঠকত অংশগ্ৰহণ কৰিব নোৱাৰাৰ বাবে শান্তি প্ৰচেষ্টাত ব্যাঘাত জন্মে। আৰু এই শান্তি আলোচনাৰ পৰিৱৰ্তে এতিয়া আগ্ৰাসন অধিক তীব্ৰতৰ কৰি তুলিছে পুটিনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছক লগত লৈ ডুবিব গৌৰৱ

প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে গৌৰৱ গগৈক সভাপতি পদ প্ৰদান কৰি কংগ্ৰেছে প্ৰমাণ কৰিছে যে তেওঁলোক প্ৰ-পাকিস্তানী। এই নিযুক্তিয়ে তেওঁলোকৰ যে ভাৰতকৈ পাকিস্তানৰ সৈতে সম্পৰ্ক বেছি তাকে প্ৰমাণ কৰিছে। কংগ্ৰেছত ভূপেন কুমাৰ বৰা, হিমন্ত বিশ্ব শৰ্মাৰ দৰে সৰু ঘৰৰ পৰা অহা মানুহ যে ৰাজনীতি কৰিব নোৱাৰে সেই কথাটোকে আজিৰ নিযুক্তিয়ে প্ৰমাণ কৰিলে। কেইমাহমাহ পূৰ্বে আমি ভূপেন বৰা, দিলীপ শইকীয়াৰ সৈতে আমি একেলগে একেখন ফ্লাইটত গৈছিলো। দিলীপ শইকীয়া সাক্ষী আছিল। তেতিয়া মই ভূপেন বৰাক কৈছিলো তোমাক এপ্ৰিল-মে' মাহত ভাঙি দিব। তাৰ পিছতে আজি মোক দিলীপ শইকীয়াই ফোন কৰিছে। দাদ এইকথা আপুনি কেনেকৈ জানিছিলে। তেওঁলোকে যেতিয়া দলটোত ভাঙি যায় তেতিয়া আপোনাৰ মোৰ দৰে সাধাৰণ মানুহক ব্যৱহাৰ কৰিব। যেতিয়া নিৰ্বাচন আহিব। টিকট দিয়াৰ সময় হয় তেতিয়া নীলা তেজৰ মানুহক লগত লয়। ১০ ছেপ্টেম্বৰৰ পিছত গোটেই দলটোক লৈ গৌৰৱ গগৈ ডুবিব। আমাৰ কাৰণে বহু সহজ হ'ব। ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই টাটা গ্ৰুপৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত গুজৰাটক চেৰ পেলাই ক্ষিপ্ৰতাৰে অসম আগবাঢ়িছে বুলি দাবী কৰিছে। তেওঁ কয় যে জাগীৰোডৰ এই টাটাৰ প্ৰকল্পই গুজৰাটৰ সমান্তৰাল প্ৰকল্পক বহু পিছ পেলাই আগবাঢ়িছে। সংবাদ মাধ্যমৰ সন্মুখত মুখ্যমন্ত্ৰী শৰ্মাই কয়, "টাটাই একেলগে দুটা প্ৰকল্পত স্বাক্ষৰ কৰিছিল- এটা গুজৰাটত আৰু আনটো অসমৰ জাগীৰোডত। আজি যদি দুয়োটা প্ৰকল্পৰ অগ্ৰগতিৰ তুলনা কৰা হয়, তেন্তে মই ভাবো অসম বহু আগবাঢ়ি আছে।" তেওঁ জোৰ দি কয় যে প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত অসমে বৃহৎ ব্যৱধানত গুজৰাটক অতিক্ৰম কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই আৰু কয়, "অসমে আজি গুজৰাটতকৈ কমেও ৫০ শতাংশ বেছি পইন্ট লাভ কৰিছে। গুজৰাটৰ প্ৰকল্পটো চাব পাৰে আৰু লগতে জাগীৰোডৰ প্ৰকল্পটোও চাব পাৰে, যিটো ইতিমধ্যে উন্নত পৰ্যায়ত আছে আৰু অহা বছৰৰ পৰা চিপ উৎপাদন কৰিবলৈ সক্ষম হ'ব।" উল্লেখ্য যে, জাগীৰোডত থকা এই ছেমিকণ্ডাক্টৰ এছেম্বল, টেষ্টিং, মাৰ্কিং আৰু পেকেজিং (এটিএমপি) প্ৰকল্পটো ভাৰতৰ ইলেক্ট্ৰনিকছ উৎপাদন খণ্ডত টাটা গ্ৰুপৰ কৌশলগত বিনিয়োগৰ অংশ। অসমত এই প্ৰকল্পৰ দ্ৰুত অগ্ৰগতি ৰাজ্যৰ ঔদ্যোগিক বিকাশৰ এক ডাঙৰ মাইলৰ খুঁটি হিচাপে দেখা গৈছে। গৌৰৱ গগৈক অসম কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব অৰ্পন কৰাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। সভাপতি নিযুক্তি দিয়াটো ৰাজনৈতিক দলৰ এটা পৰম্পৰা। কিন্তু কংগ্ৰেছ আৰু বিজেপি দলৰ মাজত সভাপতি নিযুক্তি দিয়াক লৈ আকাশ-পাতাল পাৰ্থক্য আছে। তথাপিও গৌৰৱ গগৈক আমি শুভেচ্ছা জনাইছো। গৌৰৱ গগৈৰ নেতৃত্বত কংগ্ৰেছ দল আগবাঢ়ি যাওক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দলত এলাগী হ'ল নেকি ভূপেন বৰা?

কি হ'ব সেই লৈ দলৰ মজিয়াত যথেষ্ট চিন্তা-চৰ্চা চলিছে। ভূপেন কুমাৰ বৰাই যদিও দলীয় সতীৰ্থৰ আগত ঘোষণা কৰিছে যে হাইকামাণ্ডৰ নিৰ্দেশনা তেওঁ মানি চলিব আৰু গৌৰৱ গগৈক অভিনন্দন জ্ঞাপন কৰিছে, তৎস্বত্বেও আজিৰ দিনটোতে দলৰ অন্যতম উপ-সভাপতি হিচাপে কাৰ্য পৰিচালনা কৰা ববিতা শৰ্মাই দলৰ সকলো পদ ত্যাগ কৰিছে। ববিতা শৰ্মাৰ দলত্যাগ কংগ্ৰেছৰ বাবে এক বিৰাট ক্ষতি বুলিও চৰ্চা চলিছে। দলীয় সূত্ৰে প্ৰকাশ কৰা মতে, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ সৈতে থকা সংঘাতৰ বাবেই ববিতা শৰ্মাই এইদৰে দলত্যাগ কৰিছে। ইফালে ভূপেন বৰাৰ একাংশ ঘনিষ্ঠৰ শেহতীয়া স্থিতি কি হ'ব আৰু এইসকল নেতা-কৰ্মীক লৈ গৌৰৱ গগৈৰ স্থিতি কি হ'ব তাকে লৈ কংগ্ৰেছত তীব্ৰ বাদানুবাদ চলি আছে। বিগত প্ৰায় চাৰি বছৰ ভূপেন কুমাৰ বৰাই কংগ্ৰেছক সন্মুখৰ পৰা দলক নেতৃত্ব দিছিল। চাৰি বছৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে বিজেপি দল আৰু চৰকাৰৰ বিৰুদ্ধে যুদ্ধংদেহী মনোভাৱেৰে একপ্ৰকাৰ দলৰ নেতা-কৰ্মীসকলক উৎসাহিত কৰিছিল। শেষ পৰিস্থিতিত ভূপেন কুমাৰ বৰা কোনো ষড়যন্ত্ৰৰ বলি হ'ল নেকি তাকেলৈও প্ৰশ্নৰ উত্থাপন হৈছে। লক্ষ্যণীয় কথাটো হ'ল যে পঞ্চায়ত নিৰ্বাচন আৰু ব্লকৰ সভাপতি ভঙা-পতাৰ ক্ষেত্ৰত দলৰ একাংশ নেতৃত্বৰ সৈতে ভূপেন বৰাৰ সৈতে সংঘাত হৈছিল। বিশেষকৈ সাংসদ ৰকিবুল হুছেইন আৰু ভূপেন বৰাৰ মাজত তীব্ৰ সংঘাত হৈছিল। ভূপেন বৰাক সভাপতি পদৰ পৰা আতৰাই গৌৰৱ গগৈক সভাপতি পাতিবলৈ ৰিপুন বৰাই তেওঁৰ একাংশ ঘনিষ্ঠ লোকক হেঁচা প্ৰয়োগ কৰিছিল। ইয়াৰ সৈতে জীতেন্দ্ৰ সিঙো অন্যতম আছিল বুলি দলীয় সূত্ৰত প্ৰকাশ। ভূপেন বৰাৰ নেতৃত্বত যিখন কাৰ্যনিৰ্বাহক সমিতিয়ে কাম-কাজ কৰি গৈছিল সেই সমিতিখনক গৌৰৱ গগৈয়ে কেনেধৰণে ব্যৱহাৰ কৰে আৰু বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি থকা লোকসকল থাকিব নে নাই তাকে লৈ যথেষ্ট প্ৰশ্ন উত্থাপন হৈছে। জিলা সভাপতিসকল থাকিব নে, নিৰ্বাচনৰ পূৰ্বে অপসাৰিত কৰিব তাকে লৈ চৰ্চা অব্যাহত আছে। গৌৰৱ গগৈক সভাপতি পদ দিয়াৰ পিছত এতিয়ালৈ ভূপেন কুমাৰ বৰাই কোনো মন্তব্য প্ৰদান কৰা নাই। অৱশ্যে সামাজিক মাধ্যম যোগে গৌৰৱ গগৈয়ে ভূপেন বৰাক ধন্যবাদ জ্ঞাপন কৰিছে। জানিব পৰা মতে, সভাপতি পদ লাভৰ পিছতে গৌৰৱ গগৈয়ে খৰধৰকৈ কলকাতা হৈ দিল্লীলৈ উৰা মাৰিছে।

# ‘বাংলাদেশী ধৰাৰ নামত আৰক্ষীৰ দ্বাৰা অযথা জোৰজুলুম-হাৰাশাস্তি কৰা হৈছে’

**ই-সংবাদ, ২৬ মে’:** শেহতীয়াকৈ ৰাজ্যত সন্দেহজনক বাংলাদেশী গ্ৰেপ্তাৰ অভিযান চলি থকাৰ সময়তে বামপন্থী দল চিপিআইএমে আজি এক বিবৃতি যোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে অবৈধ বাংলাদেশী নাগৰিকক ৩০ দিনৰ ভিতৰত চিনাক্ত কৰিবলৈ প্ৰদান কৰা নিৰ্দেশৰ পিছতে যোৱা তিনিদিনৰ পৰা ৰাজ্যত অবৈধ বিদেশী নাগৰিকক ধৰাৰ নামত আৰক্ষীৰ জোৰ-জুলুম আৰু হাৰাশাস্তি আৰম্ভ হৈছে বুলি অভিযোগ আনিছে চিপিআইএমৰ অসম ৰাজ্যিক কমিটিয়ে। বিবৃতি শেষাংশ ৯ পৃষ্ঠাত

‘ বাংলাদেশী ধৰাৰ নামত জিলাই জিলাই আৰম্ভ হৈছে অসম আৰক্ষী আৰু সীমান্ত আৰক্ষীৰ অমানৱীয় অভিযান ’



## বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক-সাংবাদিক দুৰ্লভ বুঢ়াগোহাঁইৰ দেহাৱসান

**ই-সংবাদ, নাজিৰা, ২৬ মে’:** বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক-সাংবাদিক দুৰ্লভ বুঢ়াগোহাঁই আৰু নাই। শিৱসাগৰ জিলা তথা নাজিৰাৰ শৈক্ষিক-সাহিত্য-সমাজ জীৱন উকা কৰি দুৰ্লভ বুঢ়াগোহাঁয়ে আজি বিয়লি ৩-১৫ বজাত ডিব্ৰুগড় মেডিচিটি শেষাংশ ৮ পৃষ্ঠাত

## ওদালগুৰিৰ কুলশী নৈৰ শিল-বালি খনন সম্পূৰ্ণ বন্ধৰ দাবী কৃষক মুক্তিৰ

**ই-সংবাদ, ওদালগুৰি, ২৬ মে’:** "ৰাষ্ট্ৰীয় সেউজ ন্যায়ধীকৰণৰ নিৰ্দেশৰ পাছতো অবৈধভাৱে ওদালগুৰি জিলাৰ কুলশী নৈ চলি আছে অবৈধ খনন কাৰ্য।" এই অভিযোগ উত্থাপন কৰি শীঘ্ৰে খনন কাৰ্য বন্ধৰ দাবী জনায় ওদালগুৰি শেষাংশ ৮ পৃষ্ঠাত



## জাগীৰোডত পুতি পেলোৱা হ’ল ২৩ কুইণ্টল থাইলেণ্ড মাগুৰ

**ই সংবাদ, জাগীৰোড, ২৬ মে’ :** জাগীৰোডত অব্যাহত আছে নিষিদ্ধ থাইলেণ্ড মাগুৰৰ ৰমৰমীয়া বেহা। মানুহৰ জীৱন আৰু জৈৱ-বৈচিত্ৰ্যৰ প্ৰতি তীব্ৰ শেষাংশ ৭ পৃষ্ঠাত

# এনআৰচিত নাম থকা লোককো ‘অনুপ্ৰৱেশকাৰী’ৰ সন্দেহ

## দলগাঁৱত সংগ্ৰাম পৰিষদ-নেমছুৰ যৌথ প্ৰতিবাদ

**ই-সংবাদ, দলগাঁও, ২৬ মে’ :** অসম আৰক্ষীৰ অবৈধ নাগৰিক, বিশেষকৈ সন্দেহযুক্ত বাংলাদেশী নাগৰিকৰ বিৰুদ্ধে চলোৱা ব্যাপক অভিযানে অসমৰ মুছলমান সমাজৰ মাজত তীব্ৰ ক্ষোভ আৰু শেষাংশ ৯ পৃষ্ঠাত


# ‘ৰাজ্যত ৭০ শতাংশ বানপানী হ্ৰাস কৰিছো’



## গোলন্দী নদীৰ পাৰত নিৰ্মীয়মান মঠাউৰি পৰিদৰ্শন মন্ত্ৰী পীযুষৰ

**ই-সংবাদ, ওদালগুৰি, ২৬ মে’:** বিটিচি নিৰ্বাচনকেন্দ্ৰীক লক্ষ্যৰে আজি ওদালগুৰিত উপস্থিত হয় অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকা। মন্ত্ৰীগৰাকীয়ে আজি ওদালগুৰি চহৰত কেইবাটাও সাংগঠনিক কাৰ্যসূচীৰ লগতে শেষাংশ ১১ পৃষ্ঠাত

## চিলিণ্ডাৰ সৰবৰাহ কৰা বাহনক ৫ লাখ টকা দাবী!



মটকৰ দুই নেতাৰ বিৰুদ্ধে গোচৰ ৰুজু

**ই-সংবাদ ব্যুৰ’, তিনিচুকীয়া, ২৬ মে’ :** জাতি-মাটিৰ বাবে নহয়, ধন ঘটিবলৈহে একাংশই জাতি-মাটিৰ আৱেগক মূলধন আৰু সংগঠনক হাথিয়াৰ হিচাপে লোৱাৰ শেষাংশ ১১ পৃষ্ঠাত

## মুছলপুৰত অবড়ো সুৰক্ষা সমিতিৰ সংবাদমেল

### ৰাকেশ ব্ৰহ্মক তীব্ৰ সমালোচনা

**ই-সংবাদ, মুছলপুৰ, ২৬ মে’:** বাক্সা জিলাৰ মুছলপুৰত আজি এক সংবাদমেল সম্বোধন কৰি বিটিআৰৰ ইউপিপিএল দলৰ ই এম ৰাকেশ ব্ৰহ্মক তীব্ৰ সমালোচনা কৰে অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক জোন দাসে। উল্লেখ্য যে বিগত কিছুদিন ধৰি বাক্সাত শেষাংশ ১১ পৃষ্ঠাত

## নিচাযুক্ত দ্ৰব্য সেৱন কৰা থলীত পৰিণত গোলাঘৰ!



# ঐতিহাসিক গোলাঘৰত এতিয়া গৰু চৰিছে

**ই-সংবাদ, নাজিৰা, ২৬ মে’:** অস্তিত্বৰ সংকটত ভুগিছে ঐতিহাসিক গোলাঘৰ আহোম শাসনৰ সময়ত গোলাঘৰতে ৰখা হৈছিল খাৰ বাৰুদ, অস্ত্ৰ - শস্ত্ৰ শিৱসাগৰ জিলাৰ ভিতৰত থকা পুৰণি কীৰ্ত্তি চিহ্ন সমূহৰ ভিতৰত এটা উল্লেখযোগ্য ঘৰ হৈছে গোলাঘৰ যাক খাৰঘৰ বুলিও জনা যায়। ঐতিহাসিক শেষাংশ ৯ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# টাইৱান দখলৰ পিছতে ৰঙা চীনৰ লক্ষ্য

ফেলো ৰিচাৰ্ড ডি ফিচাৰে 'টাইপেই টাইমছ'ত প্ৰকাশিত এটা প্ৰবন্ধত এই আশংকা প্ৰকাশ কৰিছে। তেওঁৰ মতে, চীনে সম্ভৱতঃ টাইৱানৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰাৰ পূৰ্বে কোৰিয়া, ইউৰোপ বা ভাৰত উপমহাদেশত সংঘাতৰ সৃষ্টি কৰিব পাৰে। ফিচাৰে তেওঁৰ বিশ্লেষণত উল্লেখ কৰিছে যে চীনে ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধবিৰতিৰ পোষকতা কৰিছে যদিও পাকিস্তানক সামৰিক আৰু অৰ্থনৈতিক সহায় আগবঢ়োৱাৰ ক্ষেত্ৰত চীনে ইয়াৰ ভূমিকা 'ভণ্ডামি'ৰ বাহিৰে আন একো নহয়। তেওঁ দাবী কৰে যে চীনে পাকিস্তানক অত্যাধুনিক জে-১০ চিই যুদ্ধ বিমান, দীৰ্ঘ দূৰত্বৰ পিএল-১৫ মিছাইল আৰু 'কিল চেইন' নেটৱৰ্ক প্ৰদান কৰিছে। আনকি ভাৰতৰ সূত্ৰৰ উদ্ধৃতি দি তেওঁ কয় যে চীনে পোনপটীয়াকৈ পাকিস্তানক চোৰাংচোৱা তথ্য প্ৰদান কৰিছিল, যিটো ভাৰতৰ বিৰুদ্ধে আক্ৰমণত ব্যৱহাৰ কৰা হৈছিল। এই বিশ্লেষণত কোৱা হৈছে যে পাকিস্তানৰ পাৰমাণৱিক কাৰ্যসূচী আৰু আমেৰিকালৈ যাব পৰা এম আই আৰ ভি ৱাৰহেড চীনৰ সহায়ত নিৰ্মাণ কৰা হৈছে। ভাৰত আৰু পাকিস্তানৰ মাজত পাৰমাণৱিক যুদ্ধ হ'লে ভাৰতৰ শক্তি হ্ৰাস পাব বুলি আশংকা কৰিছে ফিচাৰে। ইয়াৰ ফলত চীনে ভাৰতৰ সীমান্তৰ পৰা নিজৰ বৃহৎ সেনাবাহিনী স্থানান্তৰিত কৰি টাইৱানক আক্ৰমণৰ বাবে ব্যৱহাৰ কৰিব পাৰিব। তেওঁৰ ভৱিষ্যদ্বাণী অনুসৰি টাইৱান দখল কৰাৰ পিছত চীনৰ পৰৱৰ্তী লক্ষ্য হ'ব পাৰে ভাৰতৰ অৰুণাচল প্ৰদেশ। ইয়াৰ পিছত পিএলএয়ে অসম আৰু ত্ৰিপুৰাতো অনুপ্ৰৱেশ কৰিব পাৰে। ইয়াৰ উপৰি বাংলাদেশৰ সৈতে হোৱা চুক্তিৰ জৰিয়তে চীনে ভাৰত মহাসাগৰত সামৰিক ঘাটি স্থাপন কৰিব পাৰে, যাৰ ফলত ছিংগাপুৰ, ইণ্ডোনেছিয়া, মালয়েছিয়া, অষ্ট্ৰেলিয়া আৰু পাৰস্য উপসাগৰৰ অৰ্থনীতিৰ ওপৰত অধিক ৰাজনৈতিক-অৰ্থনৈতিক চাপৰ সৃষ্টি হ'ব। একে সময়তে, ভাৰতৰ প্ৰতি চীনৰ পাৰমাণৱিক ভাবুকিৰ মাজতো ভাৰতে কিয় টাইৱানৰ স্বাধীনতাক সম্পূৰ্ণৰূপে সমৰ্থন কৰা নাই বুলি প্ৰশ্ন উত্থাপন কৰে ৰিচাৰ্ড ডি ফিচাৰে। তেওঁ ভাৰতে ব্ৰাহ্মোছ-২ ছুপাৰছনিক এণ্টি-শ্বিপ মিছাইলৰ দৰে প্ৰতিৰক্ষা সঁজুলি টাইৱানক বিক্ৰী কৰাৰ কথা চিন্তা কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়ায়। ভাৰত আৰু টাইৱান দুৰ্বল হ'লে চীন শক্তিশালী হ'ব বুলিও তেওঁ সকীয়াই দিয়ে। তেওঁৰ মতে, টাইৱানত চীনৰ আগ্ৰাসন ৰোধৰ বাবে আমেৰিকাই পদক্ষেপ লোৱা উচিত, ভাৰতেও টাইৱানক সহায় কৰাটো প্ৰয়োজনীয়। ভাৰত-পাক যুদ্ধৰ পিছতেই এনে তথ্য প্ৰকাশ পোৱাত স্বাভাৱিকতেই চিন্তাৰ বিষয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তক ৰোধৰ লক্ষ্যৰে গৌৰৱ গগৈক

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তথা বিৰোধী উপ-দলপতি গৌৰৱ গগৈৰ পাকিস্তান লিংকক লৈ ইটোৰ পিছত সিটো অভিযোগ উত্থাপন কৰি অহাৰ সময়তে সোমবাৰে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে সেই অভিযোগক একপ্ৰকাৰ নস্যাৎ কৰি যুৱ সাংসদগৰাকীৰ ওপৰতে ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ সেনাপতিৰ দায়িত্ব অৰ্পণ কৰে। এই অনুযায়ী আজি বিয়লিৰ ভাগত এআইচিচিয়ে এক নিৰ্দেশনাযোগে সাংসদ গৌৰৱ গগৈক অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি হিচাপে স্থলাভিষিক্ত কৰে। ইয়াৰ লগতে ৩ গৰাকী কাৰ্যকৰী সভাপতিও একেখন নিৰ্দেশনাযোগে নিযুক্তি দিয়ে। পূৰ্বৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰৰ পদবী অক্ষুন্ন থকাৰ বিপৰীতে আন দুখন নতুন মুখ দেখা গৈছে। এই নতুন মুখ দুখন হৈছে ৰ'জলীনা তিৰ্কি আৰু প্ৰদীপ সৰকাৰ। ৰ'জলীনাক মহিলা হিচাপে আৰু প্ৰদীপ সৰকাৰ নামনি অসমৰ হ'লেও ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগতে বৰাক উপত্যকাৰ হিন্দু বঙালী ভোটাৰক লক্ষ্য কৰি নিযুক্তি দিয়া হৈছে বুলি অনুমান কৰা হৈছে। আনহাতে পূৰ্বৰ দৰে যাতে প্ৰদেশ কংগ্ৰেছত স্পষ্টকৈ বিসম্বাদে দেখা নিদিয়ে তাৰ বাবে চাৰিখন বিশেষ কমিটিৰ অধ্যক্ষ নিযুক্তি দি জ্যেষ্ঠ নেতাসকলৰ মাজত সমন্বয় সৃষ্টিৰো চেষ্টা চলাইছে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে। ইয়াৰ বাবে নিৰ্বাচনী কেম্পেইন কমিটিৰ অধ্যক্ষ হিচাপে দায়িত্ব দিয়া হৈছে সদ্য প্ৰাক্তন সভাপতি ভূপেন বৰাক। বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক সমন্বয়ৰক্ষী সমিতিৰ অধ্যক্ষ, সাংসদ প্ৰদ্যুৎ বৰদলৈক ইস্তাহাৰ কমিটিৰ অধ্যক্ষ, ৰকিবুল হুছেইনক প্ৰচাৰ কমিটিৰ অধ্যক্ষ আৰু ৰিপুন বৰাক নিৰ্বাচনী ব্যৱস্থাপনা সমিতিৰ অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰিছে কংগ্ৰেছ হাইকমাণ্ডে। মূলতঃ তেলেংগানা আৰু কৰ্ণাটকৰ নিৰ্বাচনী প্ৰচাৰৰ আৰ্হিতেই এইদৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিখন পুনৰগঠন কৰা বুলিও একাংশ ৰাজনৈতিক বিশ্লেষকে মত প্ৰকাশ কৰা দেখা গৈছে। ইফালে, গৌৰৱ গগৈক সভাপতিৰ দায়িত্ব অৰ্পণ কৰাৰ পিছতে প্ৰদেশ কংগ্ৰেছৰ ভিন্নপৰ্যায়ত এক আশাৰ সঞ্চাৰ ঘটা দেখা গৈছে। কংগ্ৰেছৰ বহু শুভচিন্তকে এই পৰিৱৰ্তনৰ পিছত দলটোত হিমন্ত বিশ্ব শৰ্মাৰ গোপন এজেণ্টৰ প্ৰভাৱ পূৰ্বৰ তুলনাত হ্ৰাস পাব বুলি মন্তব্য কৰিছে। এইধৰণৰ একাধিক চৰ্চাৰ মাজতে নতুন দায়িত্ব লাভ কৰিয়েই অসমবাসীৰ আশীৰ্বাদ বিচাৰে গৌৰৱ গগৈয়ে। তেওঁ কয়, "সকলোৰে মিলি অসমৰ উজ্জ্বল ভৱিষ্যত গঢ় দিব পাৰিম বুলি বিশ্বাস আছে।" ছ'চিয়েল মিডিয়াতো গৌৰৱ গগৈয়ে নতুন দায়িত্ব লাভ কৰাৰ পিছতে এক আশাব্যঞ্জক পৰিৱেশে বিৰাজ কৰিছে। কংগ্ৰেছ দলৰ সৈতে সম্পৰ্ক নথকা নেটিজেনসকলেও গৌৰৱ গগৈক লৈ আশাবাদী হৈ ভিন্ন কমেণ্ট আৰু শুভেচ্ছাৰে যুৱ সাংসদগৰাকীক উপচাই দিছে। আনহাতে, গৌৰৱ গগৈয়ে নতুন দায়িত্ব লাভ কৰা সন্দৰ্ভত কটাক্ষমূলক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু বৈদেশিক দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকো ছ'চিয়েল মিডিয়াত ভিন্নজনে ওভতি ধৰা পৰিলক্ষিত হৈছে। হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈক সভাপতি পাতি কংগ্ৰেছ দলে পাকিস্তান প্ৰেম উদঙাই দিছে বুলি মন্তব্য কৰাৰ লগতে এতিয়াৰে পৰা গৌৰৱ গগৈ আৰু কংগ্ৰেছ দল একেলগে ডুবিব বুলি মন্তব্য কৰে। দিলীপ শইকীয়াই গগৈ আৰু শইকীয়াৰ যুঁজ হ'ব বুলি কৈ শৰ্মাক এৰাই চলাবলৈ চেষ্টা চলোৱা পৰিলক্ষিত হয়। এনেদৰে এতিয়া দলৰ ভিতৰে-বাহিৰে গৌৰৱ গগৈক লৈ দেখা গৈছে মিশ্ৰিত প্ৰতিক্ৰিয়া। এতিয়া তুৰুপৰ শেষৰ পাত তাছ হিচাপে গৌৰৱ গগৈয়ে দলটোক কিদৰে আগুৱাই লৈ যায় সেয়া লক্ষণীয় হব। বিশেষকৈ নিকা ভাৱমূৰ্তি আৰু প্ৰয়াত পিতৃ তৰুণ গগৈৰ প্ৰতি বৰ্তমানো অব্যাহত থকা অসমবাসীৰ সন্মান আৰু মৰমক ভোটলৈ কিদৰে ৰূপান্তৰিত কৰিব পাৰে তাৰ ওপৰতেই নিৰ্ভৰ কৰিব তেওঁৰ ভৱিষ্যত।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জাগীৰোডত পুতি পেলোৱা হ'ল ২৩

ভাবুকি কঢ়িয়াই ফুৰা এই নিষিদ্ধ মাছৰ ব্যৱসায় চলাই গৈছে এটা বৃহৎ চক্ৰই । জাগীৰোডৰ লগতে মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা নাগালেণ্ড, মণিপুৰ আৰু ডিমাপুৰলৈ সৰবৰাহ হয় এই নিষিদ্ধ থাইলেণ্ড মাগুৰ । আৰক্ষীৰ চকুত ধুলি দি নিশাৰ ভাগত মাগুৰ ভৰ্তী বাহন সমূহ পাৰ হয় ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে । এইবাৰ নিষিদ্ধ মাছ সৰবৰাহকাৰীৰ বিৰুদ্ধে কঠোৰ হৈছে জাগীৰোড আৰক্ষী । এক গোপন সুত্ৰৰ পম খেদি চলোৱা অভিযানত জাগীৰোডৰ বুৰাবুৰীৰ পৰা ডিমাপুৰলৈ নিষিদ্ধ থাইলেণ্ড মাগুৰ সৰবৰাহ কৰাৰ সময়তে আৰক্ষীৰ জালত পৰে এখন নম্বৰ বিহীন বাহন । বাহনখনত আছিল প্ৰায় ২৩ কুইন্টল নিষিদ্ধ মাছ । চালকৰ ভাষ্য অনুসৰি মৈৰাবাৰীৰ জাকিৰ হুছেইন নামৰ এজন লোকে চলাই আহিছে এই ব্যৱসায় । পৰৱৰ্তী সময়ত মীন বিভাগৰ বিষয়াৰ উপস্থিতিত গাঁত খান্দি পুতি থোৱা হয় বৃহৎ পৰিমানৰ নিষিদ্ধ থাইলেণ্ড মাগুৰ । উল্লেখ্য যে, এই বিশেষ মাছবিধত দুৰাৰোগ্য কৰ্কট ৰোগৰ বীজাণু পোৱাৰ লগতে ই ভক্ষণ কৰে থলুৱা মাছ সমূহ। সেয়ে জৈৱ বৈচিত্ৰ্যৰ প্ৰতি ভাবুকি স্বৰূপ এই থাইলেণ্ড মাগুৰৰ পালন, বিক্ৰী আৰু সৰবৰাহত নিষেধাজ্ঞা জাৰি কৰিছে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে। কিন্তু এই নিষেধাজ্ঞাকো কেৰেপ নকৰি একাংশ দুষ্টচক্ৰই মুনাফা আদায়ৰ লক্ষ্যৰে চলাই গৈছে নিষিদ্ধ মাছৰ গোপন বেহা। আগন্তুক দিনত এই নিষিদ্ধ মাছৰ ব্যৱসায় বন্ধ কৰাৰ ক্ষেত্ৰত আৰক্ষীয়ে কি ভূমিকা পালন কৰে সেয়াহে হ'ব লক্ষণীয় বিষয়।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক-সাংবাদিক

চিকিৎসালয়ত জীৱনৰ. শেষ নিশ্বাস ত্যাগ কৰে। এজন সফল গল্পকাৰ হিচাপে খ্যাতি লাভ কৰা দুৰ্লভ বুঢ়াগোঁহাই জন্ম হৈছিল ১৯৪৩ চনত বৰ্তমান তিনিচুকীয়া জিলাৰ অন্তৰ্গত জলজলি চাহ বাগিছাত। বৰ্তমান গড়গাঁৱৰ স্থায়ী বাসিন্দা বুঢ়াগোঁহাই হাইস্কুলীয়া শিক্ষা নাজিৰা হাইস্কুল (এতিয়াৰ নাজিৰা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়) ত গ্ৰহণ কৰি কলেজীয়া শিক্ষা গ্ৰহণ কৰে শিৱসাগৰ কলেজত। তাৰপৰাই তেখেতে সুখ্যাতিৰে স্নাতক ডিগ্ৰী গ্ৰহণ কৰে। পিছত তেওঁ প্ৰাইভেটকৈ অসমীয়া সাহিত্য বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেখেতৰ কৰ্মজীৱনৰ দীঘলীয়া পৰিক্ৰমা আৰম্ভ হয় নাজিৰা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ শিক্ষকতাৰে। তাৰপিছত তেওঁ গড়গাঁও কলেজত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে ১৯৭৪ চনত যোগদান কৰে আৰু ২০০২ চনৰ ৩১ ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰে। সদা কৰ্মতৎপৰ, চিৰতৰুণ বুঢ়াগোঁহাই তাৰ পিছতো কিন্তু থমকি ৰোৱা নাই। পুনৰ তেওঁ শিমলুগুৰিস্থিত চ্যুকাফা একাডেমী জুনিয়ৰ কলেজত অধ্যক্ষ হিচাপে গুৰুদায়িত্ব বহন কৰি শৈক্ষিক উত্তৰণত ব্ৰতী হৈ ৰয়।দুৰ্লভ বুঢ়াগোঁহাই মূলতঃ এজন সফল চুটিগল্পকাৰ হিচাপেই অসমৰ সাহিত্য জগতত সমাদৃত। চুটিগল্পৰ উপৰি তেওঁ শিশু-সাহিত্য, হাস্য ব্যংগ সাহিত্য আদি ৰচনাৰেও খ্যাতি লাভ কৰিছে।বুঢ়াগোঁহায়ে সাহিত্য-চৰ্চা আৰম্ভ কৰে ছাত্ৰ অৱস্থাতেই। তেওঁ তেতিয়াৰে পৰা বৰ্তমানলৈকে অসমৰ বিভিন্ন বাতৰি কাকত আৰু আলোচনীত চুটিগল্প, প্ৰৱন্ধ, অনুবাদমূলক লেখা আৰু শিশু-সাহিত্য প্ৰকাশ কৰি আহিছে। তেখেতৰ প্ৰকাশিত পুথিসমূহ হৈছে - ১) ঋতুত ফুলা ফুল (গল্প সংকলন), (২) বন্দৰ (গল্প সংকলন), (৩) দেশ-বিদেশৰ সাধু,দুৱৰি বনৰ মুকুতা/৮৯ ৪) ঈছপৰ সাধু, (৫) সাধু শুনিবলৈ মন বিয়াকুল, (৬) ৰং-ৰগৰ (হাস্য-কৌতুক সংকলন), (৭) সাধু, কাণত বৰষে মধু, (৮) তোমাৰ বাবে সজালোঁ ৰ'দৰ বাগিছা (দেশ-বিদেশৰ অনুবাদ কবিতা সংকলন)। বুঢ়াগোঁহাই বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। তেখেত শিৱসাগৰ জিলা সাহিত্য সভাৰ দুবছৰীয়া দুটা কাৰ্যকালৰ বাবে সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। গড়গাঁও শাখা সাহিত্য সভাৰ তেখেত আছিল প্ৰাক্তন সভাপতি। এজন সুবক্তা হিচাপেও খ্যাতি লাভ কৰা বুঢ়াগোঁহায়ে 'দৈনিক জনমভূমি' কাকতৰ লগতে 'দৈনিক অসম' কাকততো সাংবাদিক হিচাবে কাৰ্যনিৰ্বাহ কৰি সুদীৰ্ঘ ৩০ বছৰৰোধিক কাল সংবাদসেৱাৰ জৰিয়তে সেৱা আগবঢ়ায়। শিৱসাগৰ জিলা সাংবাদিক সংস্থা, নাজিৰা জিলা সাংবাদিক সংস্থাৰ সভাপতি হিচাপে বৰ্তমানলৈকে দায়িত্বভাৱ গ্ৰহণ কৰি থকাৰ লগতে নাজিৰা প্ৰেছ ক্লাৱৰ প্ৰতিষ্ঠা কালৰে পৰা জড়িত হৈ আছিল । কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছতো তেখেতৰ জীৱন পূৰ্বতকৈয়ো অধিক কৰ্মতৎপৰতাৰে ভৰাই ৰাখিছে। বুঢ়াগোঁহাই এজন সহজ-সৰল, নিৰহংকাৰী, সদাহাস্যময় কৰ্মযোগী ব্যক্তি।বিশিষ্ট কথাশিল্পী হিচাপে খ্যাত তেখেতৰ জীৱন-পৰিক্ৰমাই তেখেতৰ বাণী আছিল । আজি তেখেতৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে সমগ্ৰ নাজিৰা তথা শিৱসাগৰ জিলাত শোকৰ বন্যা নিগৰে ।বিশিষ্ট সাহিত্যিক গৰাকীৰ মৃত্যুত ৰাজ্য চৰকাৰৰ মন্ত্ৰী যোগেন মহন, নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ুৰ বৰগোহাঁই, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা নিৰন্ধকাৰ ড০ সব্যসাচী মহন্ত, ডিমৌ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কৃষ্ণজ্যোতি সন্দিকৈ, অসম জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক উৎপল কোঁৱৰ, সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা, ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ ৰাজ্যিক সম্পাদক কনক গগৈ, নাজিৰা জিলা সাংবাদিক সংস্থা, নাজিৰা প্ৰেছ ক্লাৱ, শিৱসাগৰ জিলা সাহিত্য সভা,চি পি আইৰ নাজিৰা মহকুমা পৰিষদৰ সম্পাদক যোগেন চেতিয়া, শিমলুগুৰি শাখা সাহিত্য সভা, শিমলুগুৰি নাট্য সমিতি, শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থা, বুঢ়াগোঁহাই বংশাৱলী ,সংবাদ সাহিত্য সাংস্কৃতিক মঞ্চ, নাজিৰা , নাজিৰা কবি সন্মিলন , শিৱসাগৰ জিলা সাংবাদিক সন্থা , শিৱসাগৰ প্ৰেছ ক্লাৱ আদিকে ধৰি বিভিন্ন অনুষ্ঠান - প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে । মৃত্যুৰ সময়ত দুৰ্লভ বুঢ়াগোহাঁয়ে পত্নী দময়ন্তী ৰাজকুমাৰী বুঢ়াগোহাঁই, দুজন পুত্ৰ, দুগৰাকী বোৱাৰী, নাতি-নাতিনীসহ পৰিয়ালক ইহসংসাৰত এৰি গৈছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ওদালগুৰিৰ কুলশী নৈৰ শিল-বালি

জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। এই সন্দৰ্ভত জিলা সমিতিখনে ওদালগুৰি জিলা আয়ুক্তকো স্মাৰক পত্ৰ প্ৰদান কৰে। জিলা সমিতিৰ সভাপতি দিপক শৰ্মা স্বাক্ষৰিত স্মাৰকপত্ৰখনত সংগঠনটোৱে উল্লেখ কৰি কয় যে, উন্নয়নৰ বাবে শিল-বালি অপৰিহাৰ্য্য সামগ্ৰী। কিন্তু নৈৰ পৰা শিল-বালি কেনেকৈ সংগ্ৰহ কৰিব। এই বিষয়ক আইনী নিয়ন্ত্ৰণ আছে। বহনক্ষম উন্নয়নৰ ধাৰণা সৰ্বোগত কৰি এই আইনী নিয়ন্ত্ৰণ যদিও কাৰ্য্যত কিন্তু ওলোটা হৈছে। ওদালগুৰি জিলাৰ কুলশী নৈত কেইবাবছৰ ধৰি চলোৱা অবাধ খননে অঞ্চলটোৰ প্ৰাকৃতিক, পাৰিপাৰ্শ্বিকতাৰ বিস্তৰ ক্ষতি কৰি অঞ্চলবাসীৰ জীৱন জীৱিকা ধ্বংস কৰিছে। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে সেইবাবেই যোৱা জানুৱাৰী মাহত এই নৈখনৰো খনন বন্ধ ৰাখিছে।" এই খনন সম্পূৰ্ণ বন্ধৰ দাবীত ২৩মে' তাৰিখে কৃষক মুক্তি সংগ্ৰাম সমিতি ওদালগুৰি জিলাই জিলা আয়ুক্ত পুলক পাটগিৰি আৰু বিটিচিৰ মুখ্য কাৰ্য্যবাহী প্ৰমোদ বড়োলৈ এখনি স্মাৰকপত্ৰ প্ৰেৰণ কৰে। সংগঠনটোৱে স্মাৰকপত্ৰখনত উল্লেখ কৰা সাম্ভাব্য আশংকা সমূহৰ ভিতৰত প্ৰথমটোঃ কেইবাটাও মহলে একেৰাহে কেইবাটাও বছৰ শিল-বালি সংগ্ৰহৰ বাবে চলা খননে কুলশী নৈখন মধ্য ভাগতে সীমাবদ্ধ নাথাকি পাৰলৈ ৩০/৩৫ ফুট দ কৰাত জলসিঞ্চনৰ ৰাজহুৱা শ্ৰমদানৰ বাবে থকা ৪২ টা দোংবান্ধৰ কেইবাটাও দোং-বান্ধ বন্ধ হৈছে। পৰম্পৰাৰ লেখিয়াকৈ সংগঠিত হৈ বান্ধ বান্ধি পথাৰত পানী বোৱাই নিব নোৱাৰাৰ ফলত কেইবা শ বিঘা মাটি চন পৰিছে। বছৰি চন পৰা মাটিৰ পৰিমান বাঢ়ি আহিছে। দ্বিতীয়ঃ খৰালি সম্পূৰ্ণ পানী শুকাই যোৱা নৈ খন ইমানকৈ দ হোৱাত ভূগৰ্ভৰ পানী তললৈ নামি গৈছে ।ফলত খৈৰাজংঘল বৃহত্তৰ অঞ্চলটোৰ গছ-গছনি লেৰেলি যোৱা ,শুকাই মৰি যোৱা,খাৰলী ঘৰৰ বাৰী-বস্তিত কৰা অন্য খেতিৰ ওপৰতো এই প্ৰভাৱ পৰিছে। তৃতীয়তেঃ খনন স্থলীৰ পৰা কেই কিঃমিঃ মান ওপৰত দৰং-ওদালগুৰিৰ বান নিয়ন্ত্ৰণৰ বাবে পুনৰ নিৰ্মাণ হোৱা নৈনে-কুলশী(খালিংদুৱাৰ)জ্বালিমুখ বান্ধৰ গাথনি দুৰ্বল কৰাৰ প্ৰতি আশংকা আছে। চতুৰ্থতেঃ উজনিত থকা নৈনে আৰু খালিংদুৱাৰ বনাঞ্চলত ইয়াৰ জৈৱবৈচিত্ৰ্যতো প্ৰভাৱ পৰাৰ আশংকা আছে। পঞ্চমতেঃ অঞ্চলটোৰ যান-বাহন চলাচলৰ উপযোগী ঘাগ্ৰা, হাতীগড় বাগানৰ পৰা কচুবিল সংযোগী পথটিৰ পূৰ্বৰ কাঠৰ দলংখন ভাঙি যোৱাৰ সুবিধা লৈ মহলৰ অধিকাৰী সকলে এই অংশতো খনন চলাইছে, ফলত এই পথটি বন্ধ হৈছে। অন্য গ্ৰাম্য পথ সমূহ শিল-বালি কঢ়িওৱা গধুৰ যানবাহনে ধ্বংস কৰি পেলাইছে। সমান্তৰালভাৱে সংগঠনটোৱে উল্লেখ কৰে যে, "আটাইতকৈ তাৎপৰ্যপূৰ্ণ দিশ হ'ল কুলশী এখন সাধাৰণ দোংহে। এই অঞ্চলৰ নৈসমূহৰ দৰে ই ভুটানৰ পৰা পোনে পোনে অসমত সোমোৱা নৈ নহয়। পথাৰত পানী বোৱাই নিয়াৰ বাবে ননৈ আৰু ভোলা নৈৰ পৰা দোং খান্দি, বান্ধ দি বোৱাই অনা পানীৰে সৃষ্টি হোৱা এখনি দোংহে। ননৈৰ বাৰিষাৰ খৰস্ৰোতা বাঢ়নী পানীয়ে পাৰ ভাঙি কুলশীত প্ৰৱেশ কৰাৰ লগতে খননৰ কাৰণতো এসময়ৰ সাধাৰণ দোং কুলশী খন বৰ্তমান আকাৰত ডাঙৰ নৈ হৈছে।" স্বাভাৱিকতে দোং এখনত খননৰ অনুমতি দিয়াটোৱে বিতৰ্কিত বিষয় বুলি কৃষক মুক্তিৰ ওদালগুৰি জিলাই প্ৰেছ বাৰ্তাটিত উল্লেখ কৰে। খৈৰাজংঘল, বংশীপুৰ সাতঘৰীয়া, তেলীয়াপাৰা, বৰ মুকলি, ছাগলিঝাৰ, ভুটীয়াচাং, বাঘেখোৰা, চাওতালপাৰা, সোণাপানী আদি কৃষিনিৰ্ভৰ গ্ৰাম্যবাসীৰ জীৱন-জীৱিকা ৰক্ষাৰ স্বাৰ্থতে যোৱা ৭ মাৰ্চ তাৰিখে বংশীপুৰত এখনি ৰাজহুৱা প্ৰতিবাদ সভা অনুষ্ঠিত হৈ যায়। ২৮ মাৰ্চ তাৰিখে অঞ্চলটোৰ ৩২ খন দোং-বান্ধ সমিতিয়ে যৌথভাৱে খনন বন্ধৰ দাবীত জিলা আয়ুক্তক এখনি দাবীপত্ৰ প্ৰদান কৰি ভৱিষ্যতে কুলশী নৈত খননৰ অনুমতি নিদিবলৈ দাবী জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# এনাৰচিত নাম থকা লোককো

শংকাৰ সৃষ্টি কৰিছে। এই অভিযানত বহু লোকক গ্ৰেপ্তাৰ কৰাৰ পিছত উত্তেজনা বৃদ্ধি পাইছে, কাৰণ গ্ৰেপ্তাৰৰ ভিতৰত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এনআৰচি) ত নাম থকা, ১৯৭১-ৰ পূৰ্বৰ বৈধ নথি থকা, আৰু আদালতৰ দ্বাৰা ভাৰতীয় নাগৰিক বুলি ঘোষিত লোকো আছে বুলি জানিব পৰা গৈছে। এই ঘটনাক কেন্দ্ৰ কৰি উত্তৰ-পূৰ্বাঞ্চল মুছলিম ছাত্ৰ সন্থা (নেমছু), অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ দৰে সংগঠনে চৰকাৰৰ বিৰুদ্ধে পক্ষপাতিত্ব, দমনমূলক নীতি আৰু মুছলমান সমাজক হাৰাশাস্তিৰ অভিযোগ উত্থাপন কৰিছে। সোমবাৰে দলগাঁও সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত নেমছু আৰু অসম সংখ্যালঘু সংগ্ৰাম পৰিষদে যুটীয়াভাৱে প্ৰতিবাদ সাব্যস্ত কৰি চৰকাৰক সকীয়নি প্ৰদান কৰি গ্ৰেপ্তাৰ কৰা ভাৰতীয় নাগৰিকক ততালিকে মুকলি কৰিবলৈ দাবী জনায়। সংগঠন দুটাই ঘোষণা কৰিছে যে, যদি এই অভিযান বৈধ প্ৰক্ৰিয়াৰ জৰিয়তে চলোৱা নহয়, তেন্তে তেওঁলোকে উচ্চ ন্যায়ালয় আৰু প্ৰয়োজনত উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব। নেমছুৰ সভাপতি বদৰুল ইছলামে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি কয়, "বিজেপিয়ে ক্ষমতা দখলৰ পিছৰে পৰা ভাৰতৰ মুছলমানক নাগৰিক হিচাপে গণ্য নকৰে, বৰঞ্চ তেওঁলোকক পণ্যৰ দৰে ব্যৱহাৰ কৰা হৈছে।" তেওঁ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শাসনক "হিটলাৰী শাসন" আৰু "জংগলৰাজ"ৰ সৈতে তুলনা কৰি অভিযোগ কৰে যে, আইনৰ পৰিৱৰ্তে হিমন্ত বিশ্ব শৰ্মা দাদাগিৰিৰে শাসন চলাইছে। তেওঁ প্ৰশ্ন উত্থাপন কৰে, "প্ৰমাণ নোহোৱাকৈ ৰাতি ১২ বজাত ঘৰৰ পৰা মানুহক উঠাই আনি, হাত কেৰেয়া লগাই বিদেশী বুলি জেলত বন্দী কৰাৰ কোন আইন আছে?" ইছলামে কয় যে তেওঁলোকে অবৈধ নাগৰিকৰ বিৰুদ্ধে আইনী ব্যৱস্থা সমৰ্থন কৰে, কিন্তু ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰাটো মানি ল'ব নোৱাৰে। "আমিও বিচাৰো, অসমত এজনো অবৈধ নাগৰিক নাথাকক। কিন্তু আইনৰ জৰিয়তে ব্যৱস্থা ল'ব লাগে," তেওঁ জোৰ দি কয়। তেওঁ অভিযোগ কৰে যে, চৰকাৰে ৰাকফৰ সম্পত্তি কাঢ়ি লোৱা, ভূমিহীনক উচ্ছেদ কৰা, ডি-ভোটাৰৰ নামত হাৰাশাস্তি, আৰু ডিটেনচন কেম্পত ভৰোৱাৰ জৰিয়তে মুছলমানৰ ৰাজনৈতিক অধিকাৰ কাঢ়ি লৈছে। "যদি আমাক বেয়া বুলি ভাবিছে, তেন্তে গুলীয়াই মাৰক, আমি বুকু পাতি দিম, এই অত্যাচাৰ আমি সহ্য নকৰো," তেওঁ ক্ষোভৰ সৈতে কয়। ইফালে প্ৰতিবাদত অংশ লৈ অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতি মহম্মদ আলী খলিফাই কয়, "বৈধ ভাৰতীয় নথি থকা লোকক গ্ৰেপ্তাৰ কৰাটো দুৰ্ভাগ্যজনক। এয়া মুছলমানক হাৰাশাস্তিৰ বাদে একো নহয়। ১৯৭১ৰ ২৫ মাৰ্চৰ পূৰ্বৰ সকলো লোক ভাৰতীয়। তাৰ পিছত অহা লোকক আইন অনুসৰি বিদেশী হিচাপে চিনাক্ত কৰি ব্যৱস্থা ল'লে আমাৰ আপত্তি নাই। কিন্তু মুছলমান বুলিয়েই বিদেশীৰ নামত ভাৰতীয় মুছলমান নাগৰিকক হেস্ত-নেস্ত কৰাটো আমি তীব্ৰ বিৰোধিতা কৰো।" খলিফাই এনআৰচিৰ প্ৰাসংগিকতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি কয়, "কোটি কোটি টকা খৰচ কৰি এনআৰচি তৈয়াৰ কৰা হ'ল, কিন্তু এতিয়াও প্ৰমাণপত্ৰ দিয়া নহ'ল কিয়? এনআৰচিত নাম থকা বা ১৯৭১-ৰ পূৰ্বৰ নথি থকা লোকক বিদেশী বুলি গ্ৰেপ্তাৰ কৰাৰ কাৰণ কি?" তেওঁ অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থা (আছু)ক আহ্বান জনাই কয়, "আমাক বিশ্বাসত লওক। আমি ঘৰে ঘৰে গৈ বিদেশী চিনাক্তকৰণত সহযোগিতা কৰিম। কিন্তু ভাৰতীয় নাগৰিকক অযথা হাৰাশাস্তি নকৰিব।"

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ঐতিহাসিক গোলাঘৰত এতিয়া গৰু

গড়গাঁও কাৰেংঘৰৰ বিপৰীত দিশত থকা ঐতিহাসিক গোলাঘৰটো ইটাৰে নিৰ্মিত। আহোম শাসনৰ সময়ত এই গোলাঘৰত ৰজাঘৰীয়াৰ ধন সম্পদ ৰখাৰ লগতে খাৰ বাৰুদ অস্ত্ৰ-শস্ত্ৰ ৰখা হৈছিল। সম্পূৰ্ণ ইটাৰে নিৰ্মিত গোলাঘৰটোৰ মাত্ৰ এখন দুৱা আছিল আৰু সেই দুৱাৰখনতে প্ৰহৰী আছিল আৰু ৰজাঘৰীয়াৰ তত্বাৱধানত প্ৰহৰীসকলে ধন সম্পদ, বাৰুদ অস্ত্ৰ-শস্ত্ৰ গোলাঘৰৰ ভিতৰৰ পৰা বাহিৰলৈ উলিওৱা, সোমাৱা কৰিছিল। ঐতিহাসিক গড়গাঁওৰ কাৰেংঘৰলৈ বৰদুৱাৰেদি সোমাই যাওঁতে বাওঁফালে অলপ দূৰ আগুৱাই গ'লেই পাব ঐতিহাসিক গোলাঘৰ। কাৰেংঘৰৰ তুলনাত গোলাঘৰলৈ যোৱা পৰ্যটকৰ সংখ্যাও একেবাৰে সীমিত। অতি পৰিতাপৰ বিষয় যে বৰ্তমান এই গোলাঘৰে অস্তিত্বৰ সংকটত ভুগিছে। গোলাঘৰটোৰ চাৰিওফালে পুৰাতত্ত্ব বিভাগে বেৰা লগাইছে যদিও গোলাঘৰটোৰ বিশেষ উন্নতি হোৱা দেখা নাই। গোলাঘৰৰ চাৰিওফালে হাবি জংঘলে আৱৰি ধৰিছে, জাকে জাকে গৰু চৰিছে। হাবি জংঘলে আৱৰি ধৰাৰ বাবেই একাংশ উচ্ছৃংখল যুৱক-যুৱতীৰ বাবে নিচাযুক্ত দ্ৰব্য সেৱন কৰা থলীলৈ পৰিণত হৈছে ঐতিহাসিক গোলাঘৰ। সেয়ে এইক্ষেত্ৰত প্ৰশাসন আৰু পুৰাতত্ত্ব বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও আশাৰে বাট চাইছে সচেতন মহলে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'বাংলাদেশী ধৰাৰ নামত আৰক্ষীৰ দ্বাৰা

যোগে চিপিআইএমৰ অসম ৰাজ্যিক কমিটিয়ে কয় যে বাংলাদেশী ধৰাৰ নামত জিলাই জিলাই আৰম্ভ হৈছে অসম আৰক্ষী আৰু সীমান্ত আৰক্ষীৰ অমানৱীয় অভিযান। শিৱসাগৰ, যোৰহাটকে ধৰি উজনি অসম, নামনি অসম, বৰাক উপত্যকা আৰু ৰাজধানী চহৰ গুৱাহাটীকে ধৰি সমগ্ৰ ৰাজ্যত যোৱা ২৪ মে'ৰ নিশাৰ পৰাই আৰক্ষীৰ সাম্প্ৰদায়িক দৃষ্টিভংগীৰে চলোৱা অভিযান ব্যাপক কৰি তোলা হৈছে। সংবিধান বিৰোধী তথা সাম্প্ৰদায়িক 'কা' আইন প্ৰণয়ন আৰু বলৱৎ হোৱাৰ পিছত 'বিদেশী ধৰা' এই অভিযানত ৰাজ্য প্ৰশাসন তথা অসম আৰক্ষীৰ অমানৱীয় আচৰণৰ প্ৰধান বলি হৈছে পূৰ্ববংগীয়মূলৰ ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকল। প্ৰচলিত আইনী প্ৰক্ৰিয়াৰে ১৯৭১ চনৰ ২৪ মাৰ্চৰ পাছত অসমলৈ আহি অবৈধভাৱে বসবাস কৰি থকাসকলক চিনাক্ত কৰি বহিস্কাৰ কৰাৰ ক্ষেত্ৰত কাৰো আপত্তি নাথাকে বা থাকিব নোৱাৰে। কিন্তু ৰাজ্য চৰকাৰ তথা আৰক্ষীয়ে আইনী প্ৰক্ৰিয়াক সম্পূৰ্ণ ভেঙুচালি কৰি কেৱল সন্দেহৰ ভিত্তিত নাগৰিকক আটক তথা বিভিন্ন প্ৰকাৰে হাৰাশাস্তি কৰিছে। আনকি ১৯২৩ চনতে অৰ্থাৎ ব্ৰিটিছ যুগতে মাটিৰ পট্টা লাভ কৰা ভাৰতীয় নাগৰিককো আৰক্ষীয়ে কেৱল সন্দেহৰ বশৱৰ্তী হৈ আটক কৰাৰ বাতৰি প্ৰকাশ পাইছে। ন্যায়াধীকৰণৰ বিচাৰ প্ৰক্ৰিয়াত বহু আসোঁৱাহ থাকিলেও ৰাজ্যত শতাধিক বিদেশী ন্যায়াধীকৰণ আছে যদিও কোনো ন্যায়াধীকৰণত বিচাৰ নকৰাকৈয়ে বহু লোকক অনাহকতে আটক কৰা হৈছে। আনকি তথাকথিত সন্দেহযুক্ত নাগৰিকসকলক নিশাৰ ভাগত আটক কৰি হাত কেৰেয়া লগাই বান্ধি ৰখা বুলিও অভিযোগ উঠিছে। এয়া সম্পূৰ্ণ আইনবিৰোধী, সংবিধানবিৰোধী কাৰ্য আৰু মানৱাধিকাৰ লংঘনৰ উদাহৰণ। আনহাতে ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ তথা নিৰীক্ষণত উন্নীতকৰণ কৰা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি) খনকো আজিকোপতি সূচিত কৰি বৈধতা প্ৰদান কৰা নাই। সেয়ে এনআৰচিত নাম থকা লোক আৰু 'ডি' ভোটাৰসকলকো আটক কৰা হৈছে। তদুপৰি 'ডি' ভোটাৰসকলক জধে-মধে আটক কৰি গোৱালপাৰাৰ 'ডিটেনছন চেন্টাৰ'ত অন্যায়ভাৱে আৰু এক কদৰ্যময় পৰিৱেশত আবদ্ধ কৰি ৰখা হৈছে। ইপিনে কেন্দ্ৰীয় চৰকাৰে বিদেশী চিনাক্ত আৰু বহিষ্কাৰৰ বিষয়ে উচ্চবাচ্য কৰি থাকিলেও এতিয়ালৈকে বাংলাদেশ চৰকাৰৰ সৈতে কোনো চুক্তি সম্পাদন কৰিব নোৱৰাৰ ফলত বাংলাদেশী বুলি প্ৰমাণিতসকলকো সেই দেশলৈ ওভোটাই পঠাব নোৱৰা হৈছে। চিপিআই(এম)ৰ অসম ৰাজ্যিক কমিটিয়ে কেৱল সন্দেহৰ ভিত্তিত নাগৰিকক আটক কৰি হাৰাশাস্তি কৰা আৰু পূৰ্ববংগীয়মূলৰ ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ মাজত এক ত্ৰাসৰ পৰিৱেশ সৃষ্টি কৰাৰ তীব্ৰ প্ৰতিবাদ কৰি আইনী প্ৰক্ৰিয়াৰেহে বিদেশী চিনাক্তকৰণ সম্পন্ন কৰিবলৈ দাবী উত্থাপন কৰিছে।

# বাংলাদেশত নতুন সেৱা আইনক লৈ তীব্ৰ উত্তেজনা

**ঢাকা, ২৬ মে’:** সোমবাৰে শতাধিক চৰকাৰী কৰ্মচাৰীয়ে ৰাজধানী ঢাকাত বাংলাদেশ সচিবালয়ৰ মূল গে’টত তলা লগায়, যাৰ ফলত অসৎ আচৰণৰ বাবে বিষয়াসকলক সহজে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ সুবিধা প্ৰদান কৰা নতুন সেৱা আইন প্ৰণয়নৰ বিৰুদ্ধে প্ৰতিবাদ তীব্ৰতৰ হৈ পৰে। মন্ত্ৰালয় আৰু গুৰুত্বপূৰ্ণ চৰকাৰী কাৰ্যালয় থকা সচিবালয়ৰ বিষয়া-কৰ্মচাৰীয়ে লোকসেৱা আইন সংশোধনীৰ বিৰুদ্ধে প্ৰতিবাদৰ তৃতীয় দিনা মূল গে’টত তলা প্ৰায় আধা ঘণ্টাৰ বাবে তলা লগায়। খবৰ অনুসৰি কৰ্মচাৰীসকলে কাম বন্ধ অব্যাহত ৰখাৰ বাবে কমপ্লেক্সৰ ভিতৰত চৰকাৰী কাম-কাজ বহুলাংশে স্তব্ধ হৈ পৰে। মুখ্য উপদেষ্টা মহম্মদ ইউনুছৰ নেতৃত্বত অন্তৰ্বৰ্তীকালীন চৰকাৰে আইনখনৰ সংশোধিত সংস্কৰণ প্ৰকাশ কৰাৰ পাছতে এই প্ৰতিবাদ আৰম্ভ হয়। অধ্যাদেশ বাতিল নোহোৱালৈকে প্ৰতিবাদ অব্যাহত ৰখাৰ হুংকাৰ দিয়ে চৰকাৰী কৰ্মচাৰীয়ে। কমপ্লেক্সটোত যিকোনো সম্ভাব্য হিংসাৰ বিৰুদ্ধে ভিজিল বলবৎ কৰিবলৈ কৰ্তৃপক্ষই অতিৰিক্ত আৰক্ষী মোতায়েন কৰে। ইফালে, আদালতৰ নিৰ্দেশ অনুসৰি বিএনপিৰ নেতা ইশ্ৰাক হোছেইনক মেয়ৰ হিচাপে নিযুক্তি দিয়াৰ দাবীত ঢাকা দক্ষিণ চহৰ নিগমৰ কৰ্মচাৰীসকলে কৰা প্ৰতিবাদৰ ফলত প্ৰশাসনিক সেৱা বন্ধ হৈ পৰিছে বুলি জানিব পৰা গৈছে। ইফালে, আদালতৰ নিৰ্দেশ অনুসৰি বিএনপিৰ নেতা ইশ্ৰাক হোছেইনক মেয়ৰ হিচাপে নিযুক্তি দিয়াৰ দাবীত ঢাকা দক্ষিণ চহৰ নিগমৰ কৰ্মচাৰীসকলে কৰা প্ৰতিবাদৰ ফলত প্ৰশাসনিক সেৱা বন্ধ হৈ পৰিছে। নিৰ্বাচন আয়োগে এই ৰায়দানৰ বিৰোধিতা কৰা নাছিল যদিও সোমবাৰে অন্তৰ্বৰ্তীকালীন চৰকাৰে উচ্চ ন্যায়ালয়ত হোছেইনৰ শপতগ্ৰহণক বাধা দিয়াৰ লগতে নিযুক্তি দিয়া এজন প্ৰশাসকক মেয়ৰৰ ভূমিকা পালন কৰিবলৈ অনুমতি দিয়াৰ ৰায়ক প্ৰত্যাহ্বান জনায়। ইউনুছ নেতৃত্বাধীন অন্তৰ্বৰ্তীকালীন চৰকাৰৰ নীতিক লৈ অসামৰিক প্ৰশাসন আৰু ব্যৱসায়িক খণ্ডত প্ৰতিবাদৰ মাজতে বাংলাদেশত বিগত কিছুদিন ধৰি এক অশান্তিৰ পৰিৱেশ তীব্ৰতৰ হৈ পৰিছে।

# সাহায্য কঢ়িওৱা ট্ৰাকত লুটপাট, গাজাত ৪ জনক মৃত্যুদণ্ড

**কাইৰো, ২৬ মে’ :** গাজাত প্ৰৱেশ কৰিবলৈ আৰম্ভ কৰা কিছুমান সাহায্য ট্ৰাকত লুটপাত কৰাৰ অপৰাধত হামাছে চাৰিজন লোকক মৃত্যুদণ্ড দিয়ে। জানিব পৰা মতে, যোৱা সপ্তাহত ইজৰাইলৰ বিমান আক্ৰমণত ছয়জন নিৰাপত্তাৰক্ষীয়ে সাহায্য ট্ৰাক অপহৰণ কৰাত বাধা দিবলৈ চেষ্টা কৰি থকাৰ সময়তে এই চাৰিজন লোক লুটপাত চলাই আছিল। ইয়াৰে এটা সূত্ৰই ৰয়টাৰক জনোৱা মতে, ফাঁচী দিয়া চাৰিজন অপৰাধী লুটপাত আৰু সাহায্য ট্ৰাক নিৰাপত্তাৰ দায়িত্বত থকা বাহিনীৰ সদস্যক হত্যা কৰাৰ অপৰাধত জড়িত আছিল। নিজকে “পেলেষ্টাইনী প্ৰতিৰোধ” বুলি পৰিচয় দিয়া এটা গোটে প্ৰকাশ কৰা এক বিবৃতিত কোৱা হৈছে যে আন সাতজন সন্দেহযুক্ত লোকক বিচাৰি থকা হৈছে। ইজৰাইলে আন্তঃৰাষ্ট্ৰীয় হেঁচাত পৰি মাৰ্চৰ আৰম্ভণিতে জাৰি কৰা অৱৰোধ উঠাই লোৱাৰ পাছত যোৱা সপ্তাহত গাজালৈ মানৱীয় সাহায্যৰ সোমাবলৈ আৰম্ভ কৰিছিল। সাহায্য সংগঠনসমূহে কয় যে লুণ্ঠনৰ ফলত ডেলিভাৰীত বাধাৰ সৃষ্টি হৈছে।



মুম্বাইত কৃত্ৰিম বানত বুৰ যোৱা বাইকৰ ওপৰেৰে খোজ দিছে এজন কিশোৰে, ফটো, সোমবাৰৰ

# যৌন নিৰ্যাতনৰ গোচৰৰ পৰা মুক্ত বৃজ ভূষণ শৰণ সিং



**নতুন দিল্লী, ২৬ মে’:** এগৰাকী নাবালিকা মহিলা মল্লযুঁজাৰুৱে ব্ৰিজ ভূষণ শৰণ সিঙৰ বিৰুদ্ধে দাখিল কৰা যৌন নিৰ্যাতনৰ গোচৰ বাতিলৰ পৰামৰ্শ দি দিল্লী আৰক্ষীয়ে দাখিল কৰা বন্ধৰ প্ৰতিবেদন মানি লৈছে দিল্লীৰ আদালতে। সিং ভাৰতীয় মল্লযুঁজ ফেডাৰেচনৰ প্ৰাক্তন মুৰব্বী আৰু ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাক্তন সংসদ সদস্য। পাটিয়ালা হাউছ ক’ৰ্টৰ অতিৰিক্ত অধিবেশন ন্যায়াধীশ গোমতী মনোচাই এই প্ৰতিবেদন গ্ৰহণ কৰি গোচৰটো বন্ধ কৰি দিয়ে। আদালতৰ ৱেবছাইটত পোৱা শেহতীয়া তথ্য অনুসৰি গোচৰটো বাতিল কৰা হৈছে। নাবালক মল্লযুঁজাৰুগৰাকীয়ে সিঙৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছিল যদিও পিছত অভিযোগ উঠাই লয়। ইফালে সিঙৰ বিৰুদ্ধে আন এটা গোচৰ চলি আছে য’ত মহিলা মল্লযুঁজাৰুৰ এটা দলে সিঙৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ উত্থাপন কৰিছিল। তেওঁৰ বিৰুদ্ধে যৌন নিৰ্যাতন আৰু সেই গোচৰত মহিলাক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰা হৈছে।

# ক’ভিড সংক্ৰমণত ভাইৰেল জ্বৰৰ লক্ষণ

## দিল্লীত ১০৪ জন সক্ৰিয় ৰোগী

**নতুন দিল্লী, ২৬ মে’:** দিল্লীৰ স্বাস্থ্য মন্ত্ৰী পংকজ সিঙে সোমবাৰে কয় যে ৰাজধানী চহৰখনত শেহতীয়াকৈ ক’ভিড-১৯ৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ কাৰণ হৈছে মূলতঃ ভাইৰেল জ্বৰৰ দৰে লক্ষণ দেখা দিয়া নতুন ভেৰিয়েণ্ট। তেওঁ লগতে কয় যে সাৱধানতা স্বৰূপে চিকিৎসালয়সমূহলৈ নিৰ্দেশনা প্ৰেৰণ কৰা হৈছে যদিও চিন্তাৰ কোনো কাৰণ নাই। মুখ্যমন্ত্ৰী ৰেখা গুপ্তায়ো সোমবাৰে সাংবাদিকৰ সৈতে কথা পাতি জনসাধাৰণক আশ্বস্ত কৰে যে দিল্লী সম্পূৰ্ণৰূপে প্ৰস্তুত। "আমাৰ চিকিৎসালয়সমূহত প্ৰয়োজনীয় সকলো সুবিধা আছে। আমি এটা পৰামৰ্শ জাৰি কৰিছোঁ, আৰু কোনো আতংকৰ পৰিস্থিতি নাই।" চৰকাৰী তথ্য অনুসৰি দিল্লীত বৰ্তমান ১০৪ জন সক্ৰিয় ক’ভিড-১৯ ৰোগী আছে। শুকুৰবাৰে মন্ত্ৰী পংকজ সিঙে কয় যে বৃহস্পতিবাৰৰ ভিতৰত ২৩ জন ৰোগী ধৰা পৰিছে আৰু চৰকাৰে পৰীক্ষা কৰি আছে যে সংক্ৰমিত লোকসকলৰ কোনোবাই শেহতীয়াকৈ ভ্ৰমণ কৰিছে নে নাই। তেওঁ লগতে আতংকিত হোৱাৰ প্ৰয়োজন নাই বুলিও উল্লেখ কৰে। হাস্পতালসমূহত ক’ভিড-১৯ৰ পৰীক্ষা অব্যাহত আছে।

# সৈনিক পত্নী সংস্থালৈ ১ কোটি টকা অনুদান প্ৰীতি জিণ্টাৰ

**নতুন দিল্লী, ২৬ মে’:** ভাৰতীয় সেনাৰ দক্ষিণ-পশ্চিম কমাণ্ডৰ অধীনত থকা আৰ্মি ৱেলফেয়াৰ এছ’চিয়েশ্যনলৈ ১ কোটি টকা অনুদান আগবঢ়াইছে অভিনেত্ৰী প্ৰীতি জিণ্টাই। ভাৰতৰ বীৰ জোৱানসকলৰ পৰিয়ালক লগ পোৱাটো তেওঁৰ বাবে এক সন্মানজনক মুহূৰ্ত বুলি প্ৰকাশ কৰে। ভাৰতীয় সেনাৰ প্ৰতিও কৃতজ্ঞতা প্ৰকাশ কৰি কয় যে আমাৰ জোৱানসকলে কৰা সাহসী কামৰ সাক্ষী হোৱাটো এটা গৌৰৱৰ মুহূৰ্ত। ২২ এপ্ৰিলৰ এটা ভয়ানক দিনত ২৬ জন লোকৰ মৃত্যু হোৱা পহলগাম আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে আৰম্ভ কৰা অপাৰেচন সেন্দুৰৰ কিছুদিন পিছতে তেওঁ এই পদক্ষেপ গ্ৰহণ কৰে।

# নিউয়ৰ্কৰ ৰেষ্টোৰাঁত মা কামাখ্যাৰ বন্দনা

**নিউয়ৰ্ক, ২৬ মে’:** নিউয়ৰ্কৰ ৰেষ্টোঁৰাত মা কামাখ্যাৰ নামত এটা দিন উছৰ্গা কৰিলে চেফ বিকাশ খান্নাই। অসমত অম্বুবাচী মেলা আৰম্ভ হোৱাৰ প্ৰাক্কক্ষণত নিউয়ৰ্কৰ ইষ্ট ভিলেজস্থিত ৰেষ্টোৰাঁখন বিশেষভাৱে সজাই তুলিলে চেফ খান্নাই। কামাখ্যা মন্দিৰৰ অনুকৰণেৰে তেওঁ ৰেষ্টোঁৰাৰ প্ৰৱেশদ্বাৰ আদি ফুলেৰে সজাই তুলিলে। গ্ৰাহকক ছাৰ্ভ কৰা হ’ল সুমিষ্ট বাতাচা। এই সকলো আয়োজন ৰেকৰ্ড কৰি ছচিয়েল মিডিয়াত এটা শ্বৰ্ট ভিডিঅ’যোগে তেওঁ প্ৰকাশ কৰে য’ত পাৰ্শ্বগীত হিচাপে অসম সংগীত ব্যৱহাৰ কৰা হৈছে। তেওঁৰ এই আয়োজনৰ অংশীদাৰ হবলৈ ৰেষ্টোঁৰাৰ সন্মুখত গ্ৰাহকে দীঘলীয়া শাৰী পতা পৰিলক্ষিত হয়। উল্লেখ্য যে মিচেলিন ষ্টাৰ চেফ বিকাশ খান্নাই ইয়াৰ পূৰ্বেও তেওঁৰ অসম প্ৰীতি বিভিন্ন মাধ্যমত প্ৰকাশ কৰিছিল। মাষ্টাৰচেফ ইণ্ডিয়াৰ প্ৰতিযোগী নয়নজ্যোতিৰ তিনিচুকীয়াস্থিত ঘৰলৈ আহি তেওঁ অসমৰ প্ৰেমত পৰিছিল। বীয়েৰ বাইচেপ হিচাপে পৰিচিত ৰণবীৰ এলাহবাদিয়াৰ পডকাষ্টত তেওঁ অসমীয়া খাদ্যৰ অতুলনীয়তাক প্ৰশংসাৰে ওপচাইছিল। উল্লেখ্য যে, নিউয়ৰ্কস্থিত ৰেষ্টোৰাঁখনত ভাৰতীয় সংস্কৃতিৰ বিভিন্ন দিশসমূহ উপস্থাপন কৰি আহিছে প্ৰখ্যাত ৰন্ধনকুশলীগৰাকীয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ‘ৰাজ্যত ৭০ শতাংশ বানপানী হ্ৰাস

চহৰখনৰ কাষেৰে বৈ যোৱা গোলন্দী নদীৰ পাৰত নিৰ্মাণৰত মথাউৰি পৰিদৰ্শন কৰে। দিনৰ ভাগত মন্ত্ৰীগৰাকীয়ে ওদালগুৰিত উপস্থিত হৈ পোনে পোনে উপস্থিত হয় গোলন্দী নদীৰ পাৰত নিৰ্মাণৰত মথাউৰিস্থলীত। মন্ত্ৰীগৰাকীয়ে জলসম্পদ বিভাগৰ উচ্চপদস্থ বিষয়াৰ উপস্থিতিত মথাউৰিটো পৰিদৰ্শন কৰাৰ লগতে সম্পূৰ্ণ বুজ লয়। এই সন্দৰ্ভত সাংবাদিকৰ সন্মুখত মন্ত্ৰীগৰাকীয়ে কয়, "আমি ৩৬ কোটি টকা ব্যয় সাপেক্ষে গোলন্দী নদীৰ সোপাৰে ৪.৫ কিল'মিটাৰ দৈৰ্ঘ্যৰ এটা ৰেডীমেড এমবেংকমেণ্ট (RME) নিৰ্মাণ কৰা হৈছে। ইয়াৰোপৰি বাৰিষাৰ পাছত আনটো পাৰত জিঅ' বেগ আৰু জিঅ' মেগা টিউব স্থাপনৰ কাম কৰা হ'ব। যিহেতু পাহাৰৰ ওপৰৰ পৰা নামি অহা ঢল এই নদীখনেৰে নামি আহে, গতিকে আগন্তুক দিনবোৰত আমি বান সমস্যা সমাধান কৰিব পাৰিম বুলি আশা প্ৰকাশ কৰিছো। সমগ্ৰ ৰাজ্যতে আমি ৭০ শতাংশ বানপানী হ্ৰাস কৰিব পাৰিছো বুলি কব পাৰো। ইবছৰ আমি আঢ়ৈশ কিল'মিটাৰ নতুন মথাউৰি নিৰ্মাণ কৰাৰ ৯০ শতাংশ কাম সম্পূৰ্ণ কৰিছো। অহাবছৰ পুনৰ ২৬০ কিল'মিটাৰ মথাউৰি নিৰ্মাণৰ পৰিকল্পনা কৰিছো।" উক্ত পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীৰ সৈতে স্থানীয় বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীৰ লগতে বহুতো বিভাগীয় বিষয়া উপস্থিত থাকে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকী উপস্থিত হয় ওদালগুৰি জিলা বিজেপি কাৰ্যালয়ত। কাৰ্যালয়টোত অনুষ্ঠিত বিশেষ সাংগঠনিক সভাত বিশেষকৈ আগন্তুক বিটিচি নিৰ্বাচন সন্দৰ্ভত আলোচনাত মিলিত হয়। বিজেপিৰ ওদালগুৰি জিলাৰ ১০ টাকৈ মণ্ডলৰ পৰা প্ৰতিটো মণ্ডলৰ ১০ গৰাকীকৈ কৰ্মীৰ সৈতে মন্ত্ৰীগৰাকীয়ে পৃথকে পৃথকে আলোচনাত মিলিত হয়। সমাগত বিটিচি নাৰ্বাচন সন্দৰ্ভত ওদালগুৰি জিলাখনৰ ১০ টাকৈ পৰিষদীয় সমষ্টিত বিজেপি দলটোৰ স্থিতি তথা সাম্ভাব্য জয় সন্দৰ্ভত আলোচনা কৰে। উক্ত আলোচনাত বিজেপি নেটা পল্লৱলোচন দাস, জিলা বিজেপিৰ সভাপতি সুনীল বসুমতাৰী, শানিয়াছ কুজুৰৰ লগতে জিলাখনৰ বিজেপি দলৰ ইএম, এমচিএলএসকল উপস্থিত থাকে। ইয়াৰ পাছত মন্ত্ৰীগৰাকী উপস্থিত হয় ওদালগুৰি আৰৰ্ত ভৱনত। আৰৰ্ত ভৱনত মন্ত্ৰীগৰাকীয়ে ওদালগুৰিৰ বিভিন্ন দল-সংগঠনৰ সৈতে আলোচনাত মিলিত হয়। ইফালে আজিৰ এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে ৰিপুন বৰাক তীক্ষ্ণ সমালোচনা কৰি কয়, "ৰিপুন বৰাই যোৱাবাৰ মুখ্যমন্ত্ৰীকেন্দ্ৰীক প্ৰচাৰ চলাইও ৩৮ হাজাৰ ভোটত হাৰিছে। যি লোকে ইমান ভোটত হাৰে তেওঁ পৰৱৰ্তী নিৰ্বাচনত জিকিম বুলি কিয় ভাবে? আনকি তেখেতৰ গহপুৰ সমষ্টিত কতো কংগ্ৰেছ জিকা নাই। এইবোৰ অলিক কল্পনা। অসমত তৃতীয়বাৰৰ বাবে বিজেপি চৰকাৰ হব আৰু দ্বিতীয়বাৰৰ বাবে হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হব। আগন্তুক বিটিচি নিৰ্বাচনত আমি ভাল ফলাফল দেখুৱাম। দলে যি সিদ্ধান্ত লয় সেয়াই আগত লৈ আগবাঢ়িম। কিন্তু বৰ্তমান ইউপিপিএলৰ সৈতে আমাৰ মিত্ৰতা আছে আৰু আগন্তুক বিটিচি নিৰ্বাচনতো বন্ধুত্বপূৰ্ণভাৱে নিৰ্বাচন খেলিম।" উল্লেখ্য যে মন্ত্ৰীগৰাকীয়ে আলি ওদালগুৰিত এক বিশাল যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চিলিণ্ডাৰ সৰবৰাহ কৰা বাহনক ৫ লাখ

উদাহৰণ এইখন অসমত এতিয়া তেনেই সুলভ বুলিব পাৰি। সংগঠনক ধন ঘটা কামত ব্যৱহাৰ কৰি জেলৰ ভাত খোৱাৰ দৰে ঘটনাৰ সততে দেখিবলৈ পোৱা যায় এই অসম মুলুকত। উজনিৰ বাণিজ্যিক চহৰ তিনিচুকীয়াত জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নামত একাংশ যুৱকে দাদাগিৰি চলোৱাৰ অভিযোগো নথকা নহয়। সংগঠনক ধন ঘটা কামত ব্যৱহাৰ কৰাৰ লগতে মাফিয়াৰ কায়দাৰে এখন চিলিণ্ডাৰ সৰবৰাহ কৰা বাহনক জালিয়তিৰে চিলিণ্ডাৰ সৰবৰাহ কৰাৰ অভিযোগ তুলি সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি জিন্টু বুঢ়াগোহাঁই আৰু সম্পাদক সঞ্জয় গগৈৰ নেতৃত্বত এটা দলে যোৱা ১৭ মে'ত ডুমডুমা বৰহাপজানৰ নাহৰণি গাঁৱৰ কমল সোণোৱালক ৫ লাখ টকা দাবী কৰি ইতিমধ্যে ৪ লাখ ২৪ হাজাৰ টকা আদায় কৰাৰ অভিযোগ উত্থাপিত হৈছে। ঘটনাৰ বিৱৰণী অনুসৰি, সেইদিনা কমল সোণোৱাল নামৰ এল পি জি ট্ৰাকচালকজনে তিনিচুকীয়া চহৰৰ হিজুগুৰি এইচ পি এল গেছ এজেঞ্চিৰত চিলিণ্ডাৰ নমাই ঘৰলৈ উভতি আহি থকা অৱস্থাত এ আৰ-০৫ জে-১১১১ আৰু আন এখন স্ক'ৰপিঅ' গাড়ীত জিন্টু বৰগোহাঁই আৰু সঞ্জয় গগৈৰ নেতৃত্বত অহা এটা যুৱকৰ দলে এল পি জি চিলিণ্ডাৰ সৰবৰাহ কৰা ট্ৰাকখন ৰখাই কোনো বৈধ কাৰণ নোহোৱাকৈ ভাবুকি দিবলৈ ধৰাৰ লগতে ৫ লাখ টকা দাবী কৰে ট্ৰাকচালক কমল সোণোৱালক। কমল সোণোৱালে যুৱকৰ দলটোক বুজাবলৈ বহুত চেষ্টা কৰে যদিও যুৱকৰ দলটোৱে তেওঁক উচ্চ স্বৰত বিভিন্ন গালি-গালাজ কৰাৰ লগতে যিকোনো প্ৰকাৰে দলটোক টকাখিনি আদায় কৰাৰ ভাবুকি প্ৰদান কৰাত প্ৰাণৰ মমতাত কমল সোণোৱালে যুৱকৰ দলটোক ৩ লাখ টকা নগদ ধন আদায় দিয়াৰ বিপৰীতে ইউ পি আই (গুগল পে') ৰ জৰিয়তে দিপান্তৰ গগৈৰ বেংক একাউণ্টত পঞ্চাশ হাজাৰ, চল্লিশ হাজাৰ, পে টি এমৰ জৰিয়তে পঁচিশ হাজাৰ টকা আৰু ভাৰ্গৱ দত্তক ৯ হাজাৰ টকা পৰিশোধ কৰে। ৫ লাখ টকা দাবী কৰি জিন্টু বৰগোহাঁই আৰু সঞ্জয় গগৈয়ে তেওঁলোকৰ নামত কমল সোণোৱালৰ পৰা ইতিমধ্যে ৪ লাখ ২৪ হাজাৰ টকা আদায় কৰা ঘটনাৰ সন্দৰ্ভত কমল সোণোৱালৰ জ্যেষ্ঠ ভ্ৰাতৃ তথা বীৰ লাচিত সেনাৰ মাকুম আঞ্চলিকৰ সভাপতি প্ৰতিপল সোণোৱালে ২৪ মে' ত তিনিচুকীয়া সদৰ আৰক্ষী থানাত মটক যুৱ ছাত্ৰ সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে জিন্টু বৰগোহাঁই আৰু সঞ্জয় গগৈৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে বি এন এছৰ ১১৫(২)/১২৬(২)/৩০৮(২)/২৯৬/৩৫১(২)/৩(৫) ধাৰাৰ অধীনত তিনিচুকীয়া সদৰ থানাত ১৮৭/২০২৫ নম্বৰত গোচৰ পঞ্জীয়ন কৰিছে। উক্ত ঘটনাৰ ফলত ধন হেৰুওৱাৰ লগতে চাকৰিটোও হেৰুওৱা দুটি সন্তানৰ পিতৃ কমল সোণোৱালৰ পৰিয়ালটোলৈ ঘোৰ অমানিশা নামি আহিছে। ঘটনাত কেৱল ধন হেৰুওৱাই নহয়, ভুক্তভোগীৰ বিবেকতো আঘাত হানিছে। ঘটনাক লৈ তিনিচুকীয়াত চাঞ্চল্যৰ সৃষ্টি হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মুছলপুৰত অবড়ো সুৰক্ষা সমিতিৰ

অবড়ো সুৰক্ষা সমিতি আৰু ইউ পি পি এল দলৰ মাজত সৃষ্টি হৈ আহিছে ৰাজনৈতিক সংঘাত। দুয়োটা দলৰ অভিযোগ-প্ৰতি অভিযোগেৰে মুছলপুৰৰ ৰাজনীতি আজি কেবাদিন ধৰি গৰম কৰি ৰাখিছিল। সেই লৈ আজি অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক জোন দাসে ইউপিপিএল দলৰ মুখপাত্ৰ তথা বিটিচিৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, ইউপিপিএল দলৰ নেতা হৰেকৃষ্ণ পাঠক আৰু মুছলপুৰ পৌৰসভা অধ্যক্ষা তৰুলতা দাসৰ বিৰুদ্ধে মুছলপুৰ প্ৰেছ ক্লাৱত এক সংবাদমেল সম্বোধন কৰে। প্ৰণিধানযোগ্য যে দুদিন পূৰ্বে ইউপিপিএল নেতা হৰেকৃষ্ণ পাঠকে অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক জোন দাসৰ বিৰুদ্ধে বহু আপত্তিজনক মন্তব্য প্ৰকাশ কৰাৰ লগতে মুছলপুৰত সংবাদমেল দিবলৈ প্ৰত্যাহ্বান জনাইছিল জোন দাসক। যাৰ পৰিপ্ৰেক্ষিতত আজি জোন দাসে নিজৰ প্ৰায় পাঁচ শতাধিক সমৰ্থক লগত লৈ মুছলপুৰত এক সংবাদমেল সম্বোধন কৰি হৰেকৃষ্ণ পাঠকৰ বিষয়ে কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰাৰ লগতে অনাগত দিনত অবড়ো ৰাইজৰ বিৰুদ্ধে গৈ ৰাজনীতি নকৰিবলৈ সকীয়াই দিয়ে । আজিৰ এই সংবাদমেলত অবড়ো নেতা যাদৱ দাস, নিতুল হালৈৰ লগতে কেবাগৰাকীও দলীয় নেতা উপস্থিত থাকে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# সংগীত শিল্পী গায়ত্রী হাজৰিকাক মৰণোত্তৰভাৱে 'সংগীত সৰস্বতী' সন্মান প্রদান

## সোনোৱাল কছাৰী সাহিত্য সভাৰ শপতগ্রহণ অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, ডিব্রুগড়, ২৬ মে'ঃ** সোনোৱাল কছাৰী সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ নৱ-নিৰ্বাচিত পূৰ্ণাংগ সমিতিখনে ২৫ মে'ত ডিব্রুগড়ত আনুষ্ঠানিকভাৱে শপতগ্রহণ কৰে। উল্লেখ্য যে পূৰ্বৰ বিদায়ী সভাপতি মোহন সোনোৱালৰ পৌৰোহিত্যত যোৱা ৪ মে'ত ডিব্রুগড়ৰ দুলীয়া-দাইনিজান বাইথ' মন্দিৰ প্রেক্ষাগৃহত ৰাজ্যখনৰ সকলো জিলাৰ প্রতিনিধিৰ উপস্থিতিত আয়োজিত প্রতিনিধি সভাত সৰ্বসন্মতিক্রমে মোহন সোনোৱালক সভাপতি, মৃদুল সোনোৱালক মুখ্য সম্পাদক হিচাপে লৈ উক্ত সমিতিখন গঠিত হৈছিল। এই উপলক্ষে উক্ত সমিতিখনে ডিব্রুগড় কছাৰীবাৰীস্থিত সোনোৱাল ভৱনত সভাৰ প্রতিষ্ঠাপক সভাপতি, উপদেষ্টা তথা সাহিত্যিক পেঞ্চনাৰ গুণেশ্বৰ সোনোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত শপতবাক্য পাঠ কৰায় ডিব্রুগড় বাইথ' মন্দিৰৰ বাইথ' গুৰু শংকৰ বাগলাৰীয়ে। প্রথমে সভাপতি মোহন সোনোৱালে শপতগ্রহণৰ পিছতে উপ-সভাপতি ড° লৱৰাম সোনোৱাল, মাণিক চন্দ্ৰ সোনোৱাল, যতীন্দ্ৰনাথ সোনোৱাল, সুমন্ত বড়া, মনিদীপা লালোৱাৰী আৰু তাৰ পিছতে মুখ্য সম্পাদক মৃদুল সোনোৱাল, সম্পাদক দিগন্ত হাজৰিকা, জয়া বড়া, পাপু সোনোৱাল, সাংস্কৃতিক সম্পাদক প্রশান্ত বড়া, মহানন্দ সোনোৱাল, প্রচাৰ সম্পাদক হেমচন্দ্ৰ কছাৰী, কোষাধ্যক্ষ তোযেশ্বৰ সোনোৱাল, কাৰ্যালয় সম্পাদক ভবেন সোনোৱালৰ লগতে অন্যান্যসকলে শপতগ্রহণ কৰে। সভাত অতিথি হিচাপে উপস্থিত থাকি সভাৰ প্রতিষ্ঠাকালৰেপৰা জড়িত সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ প্রাক্তন মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্রাৰীয়ে সভাৰ ইতিবাচক আৰু নেতিবাচক ভিন্ন দিশ সামৰি সাৰুৱা বক্তব্য আগবঢ়ায়। আন এগৰাকী অতিথি সোনোৱাল কছাৰী নাৰী সন্থাৰ সভানেত্রী ৰশ্মিৰেখা সোনোৱালেও শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। মুখ্য সম্পাদক মৃদুল সোনোৱালে উদ্দেশ্য ব্যাখ্যা কৰা আৰু সোনোৱাল কছাৰী কালছাৰেল ছ'চাইটীৰ মুখ্য সচিব ভক্তি প্রসাদ সোনোৱাল, বিশিষ্ট লেখক ড° সতীশ চন্দ্ৰ বড়াৰ লগতে জনজাতিটোৰ অন্যান্য জাতীয় সংগঠনৰ প্রতিনিধিৰ উপস্থিতিত অনুষ্ঠিত উক্ত সভাই সৰ্বসন্মতিক্রমে সোনোৱাল জনজাতিৰ সন্তান তথা সদ্যপ্রয়াত সংগীত শিল্পী গায়ত্রী হাজৰিকাৰ স্মৃতিত এক শ্রদ্ধাঞ্জলি অনুষ্ঠানৰো আয়োজন কৰি গভীৰ শোকপ্রকাশৰ লগতে পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। প্রয়াত শিল্পীগৰাকীৰ জীৱন-কৃতী সম্পৰ্কত চমুকৈ আলোকপাত কৰে সভাৰ সম্পাদক দিগন্ত হাজৰিকাই। সভাই সৰ্বসন্মতিক্রমে শিল্পীগৰাকীক মৰণোত্তৰভাৱে 'সংগীত সৰস্বতী' উপাধিৰে বিভূষিত কৰি সন্মান জ্ঞাপনৰ লগতে পৰৱৰ্তী সময়ত আনুষ্ঠানিকতা সম্পন্ন কৰাৰ বাবে সিদ্ধান্ত গ্রহণ কৰে।

## আব্দুল খালেকক সৰ্বভাৰতীয় কংগ্রেছ কমিটিৰ পৰ্যবেক্ষকৰ দায়িত্ব

# কাৰোবাৰ হৰ্ষ, কাৰোবাৰ বিষাদ

**ই-সংবাদ, কলগাছিয়া ২৬ মে':** সম্প্রতি বৰপেটা জিলাৰ মন্দিয়া সমষ্টি আৰু বঙাইগাঁও জিলাৰ সৃজনগ্রাম সমষ্টিত আব্দুল খালেকক কেন্দ্ৰ কৰি বিভিন্ন বিতৰ্ক চলি আছে যদিও শেহতীয়াকৈ নিখিল ভাৰত কংগ্রেছ কমিটীৰ 'সংগঠন সৃজন অভিযান'ৰ অংশৰূপে আব্দুল খালেকক মধ্য প্রদেশৰ কাৰণে এ আই চি চিৰ পৰ্যবেক্ষকৰ দায়িত্ব অৰ্পণ কৰাত শংকিত হৈ পৰিছে আব্দুল খালেকক বিৰোধিতা কৰা দুই-এজন নেতা-কৰ্মী। তেওঁলোকৰ ৰাজনৈতিক পথ প্রশস্ত কৰাৰ বাবে আব্দুল খালেকক কংগ্রেছৰপৰা আঁতৰাই সমষ্টিবিহীন কৰিব খুজিছিল একাংশই।তেওঁলোকৰ আশা আব্দুল খালেকে যাতে অহা ২৬ ৰ নিৰ্বাচনত দলীয় টিকট নাপায়। কিন্তু খালেকবিৰোধী একাংশৰ মূৰত চেঁচাপানী ঢালি '২৬ত আব্দুল খালেকৰ টিকট লাভৰ বাট মুকলি কৰিছে সৰ্বভাৰতীয় কংগ্রেছ নেতৃত্বই। সম্প্রতি ভাৰতীয় কংগ্রেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্রেছ সংসদীয় দলৰ অধ্যক্ষ ছোনিয়া গান্ধী, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ লগতে সংগঠনৰ দায়িত্বত থকা ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক কে চি বেনুগোপালসহ সৰ্বভাৰতীয় পৰ্যায়ৰ কংগ্রেছ নেতৃত্বই আব্দুল খালেকক মধ্যপ্রদেশৰ পৰ্যবেক্ষক ৰূপে দায়িত্ব অৰ্পণ কৰিছে। এনে এক গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰাৰ পিছতেই আব্দুল খালেকৰ সমৰ্থক আৰু শুভাকাংক্ষীসকল উৎফুল্লিত হৈ পৰা পৰিলক্ষিত হৈছে। আনহাতে, ৰাজনৈতিক খবৰ অনুসৰি আব্দুল খালেকক ৰাজনৈতিক নেতা হিচাপে পৰিচয় কৰোৱাই দিয়া জনীয়া সমষ্টিৰ অধিকাংশ এলেকা সামৰি লৈ গঠন হোৱা নৱগঠিত মন্দিয়া সমষ্টিৰপৰাই নিৰ্বাচনত প্রতিদ্বন্দ্বিতা আগবঢ়াবলৈ আগ্রহী আব্দুল খালেক। সেয়ে খালেকৰ উত্থানত, খালেকক বিৰোধিতা কৰা একাংশই শংকিত হৈ পৰিছে।



ডুমডুমাৰ বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত অনুষ্ঠিত গ্ৰাম্য বিজ্ঞান মেলা-২০২৫ এক দৃশ্য

# বাইহাটাৰ গভাইত চোৰ অনিল নাথক গ্রেপ্তাৰ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৬ মেঃ** চুৰি কাৰ্যৰে কামৰূপ-দৰং সীমান্তত দীৰ্ঘদিন ত্রাসৰ সৃষ্টি কৰি অহা গভাইত চোৰ এজনক বাইহাটা চাৰিআলি আৰক্ষীয়ে কালি নিশা কৰায়ত্ত কৰিবলৈ সক্ষম হয়। প্রাপ্ত বাতৰি অনুসৰি বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত বৃহত্তৰ দুমুনিচকী অঞ্চলৰ শৰাইঘাট গাঁৱৰ ৰাজহুৱা অনুষ্ঠান কদমতলি সত্ৰ নামঘৰ, জগন্নাথ মন্দিৰ, আঁহতগুৰি শিৱ মন্দিৰ তথা বাথান গাঁৱৰ জামে মছজিদ আৰু বাবা কেৰামত আলী মাজাৰ শ্বৰীফৰ দানপাত্ৰ চুৰি কাৰ্যত লিপ্ত হোৱাৰ অভিযোগত অভিযুক্ত চোৰটোক কালি বাইহাটা চাৰিআলি থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সুমীত মাহতুৰ নেতৃত্বত যোৱা এটা আৰক্ষীৰ দলে তেওঁৰ নিজ বাসগৃহ শৰাইঘাট গাঁৱৰ দ' চুবুৰীৰপৰা গ্রেপ্তাৰ কৰে। আৰক্ষীৰ নেৱানেপেৰা প্রচেষ্টাৰ অন্তত অৱশেষত আৰক্ষীৰ জালতপৰা চোৰজনৰ নাম অনিল নাথ। অভিযানৰ সময়ত অনিল নাথৰ ঘৰৰপৰা আৰক্ষীয়ে নগদ ধন, তলা ভাঙিবলৈ ব্যৱহাৰ কৰা অস্ত্ৰ, চুৰি কাৰ্যত ব্যৱহৃত মটৰ চাইকেল আৰু কিছু আপত্তিজনক সামগ্রী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আজি আৰক্ষীয়ে চোৰটোক ন্যায়ালয়ত হাজিৰ কৰি অধিক তথ্য উদঘাটনৰ বাবে দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ আনে।

# অভয়াপুৰীৰ তিনি কিশোৰ সন্ধানহীন

**ই-সংবাদ, উত্তৰ শালমাৰা, ২৬ মে':** বঙাইগাঁও জিলাৰ অভয়াপুৰীত সংঘটিত হৈছে এটি উদ্বেগজনক ঘটনা। যোৱা ২৫ মে' ৰবিবাৰৰ দিনা দুপৰীয়া প্ৰায় ১২ মান বজাৰপৰা অভয়াপুৰীৰ তিনিজন কিশোৰ বন্ধু নিজৰ ঘৰৰপৰা ওলাই যোৱাৰ পিছতেই সন্ধানহীন হৈ আছে। নিখোজ হোৱা কিশোৰ তিনিজন হৈছে অভয়াপুৰী ৰৌমাৰিৰ ইকবাল হাবিব (১৪), অভয়াপুৰী বোৱালীমাৰিৰ নুৰ আলম ইছলাম (১২) আৰু অভয়াপুৰী ৰৌমাৰিৰ জাকিৰ মাছুদ (১৪)। পৰিয়ালৰ লোকসকলে জানিবলৈ দিয়া মতে, বন্ধু তিনিজনে খেলিবলৈ বুলি ঘৰৰপৰা ওলাই গৈছিল। কিন্তু তাৰ পিছত তেওঁলোক ঘূৰি নাহিল আৰু এতিয়ালৈকে তেওঁলোকৰ কোনো সন্ধান পোৱা হোৱা নাই। তেওঁলোকৰ পৰিয়ালৰ লোকসকলে সম্ভাব্য সকলো ঠাইত সন্ধান বিচাৰি চালেও এতিয়ালৈকে কোনো শুংসূত্ৰ উলিয়াব পৰা নাই। অৱশেষত, বিষয়টোক লৈ আত্মীয়সকলে অভয়াপুৰী থানাত নিৰুদ্দেশৰ গোচৰ দাখিল কৰে। এই ঘটনা সন্দৰ্ভত যদি কোনো ব্যক্তিয়ে কোনো তথ্য লাভ কৰে, তেন্তে অভয়াপুৰী আৰক্ষী চকী বা ৮০১১৪১০০৬৪ আৰু ৯৯৫৪৯৬৭৫০৪ নম্বৰত যোগাযোগ কৰাৰ বাবে পৰিয়ালে অনুৰোধ জনাইছে।

# ছিপাঝাৰত পথ দুৰ্ঘটনাত ৭ জন আহত

**ই-সংবাদ, দুনী, ২৬ মে':** ছিপাঝাৰৰ মাৰৈত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। ট্ৰাক আৰু যাত্ৰীবাহী মেজিকৰ মাজত সংঘটিত হয় এই দুৰ্ঘটনাটো। AS 01 EC 9707 নম্বৰৰ মেজিক আৰু AS 01 LC 3269 মালবাহী ট্ৰাকখনৰ মাজত মুখামুখী সংঘৰ্ষ হয়। দুৰ্ঘটনাটোত মেজিকখনত অহা ৭ গৰাকী যাত্ৰী আহত। আহতসকলৰ মাজত কণ কণ স্কুলীয়া শিক্ষাৰ্থীৰ লগতে কেইবাগৰাকী মহিলাও আছিল বুলি জানিব পৰা গৈছে। আহতসকলক ততাতৈয়াকৈ ১০৮ সেৱাৰ জৰিয়তে ছিপাঝাৰ প্ৰাথমিক আৰু সামূহিক স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰায়। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। ৰাষ্ট্ৰীয় ঘাইপথটোত পূৰ্বৰেপৰা সঘনে সংঘটিত হৈ থকা দুৰ্ঘটনাত বহু লোকে আপোনজনক হেৰুৱাৰ লগতে বহু লোক চিৰদিনৰ বাবে ঘূণীয়া হবলগীয়া হোৱাত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথটো বাইহাটা চাৰিআলিৰপৰা তেজপুৰলৈ চাৰিলেনযুক্ত কৰিবলৈ দাবী জনাইছে।

# যোৰহাট বাল্য ভৱনত বিজ্ঞান আৰ্হি প্ৰস্তুতকৰণ কৰ্মশালা-প্ৰদৰ্শনী সম্পন্ন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৬ মে':** যোৰহাট বাল্য ভৱনৰ মহাৰজত জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ অংশৰূপে বিজ্ঞান আৰ্হি প্ৰস্তুতকৰণ কৰ্মশালা আৰু প্ৰদৰ্শনী যোৱা ২২-২৪ মে'ত অনুষ্ঠিত হৈ যায়। পশ্চিম যোৰহাটৰ ১৬ খন বিদ্যালয়ৰ অৰ্ধশতাধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখন উদ্বোধন কৰি যোৰহাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক বুলি গগৈ ভূঞাই যোৰহাট বাল্য ভৱনে অতীতৰ গৌৰৱৰ ধাৰা অব্যাহত ৰখাৰ লগতে এই কাৰ্যসূচী ৰূপায়ণ কৰাত সন্তোষ প্ৰকাশ কৰে। নেইষ্টৰ প্ৰকল্প সহযোগী ৰক্তোপল মহন্ত, সুৰজিত ভাগৰতী, সুকন্যা বৰঠাকুৰে কয় যে বিজ্ঞানৰ নতুন কৌশল শিকাৰ প্ৰতি শিক্ষাৰ্থীসকলৰ আগ্ৰহ দেখি অনুভৱ হৈছে তেওঁলোক সফল বিজ্ঞানী হোৱাৰ সম্ভাৱনা আছে। তিনিওগৰাকীয়ে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰা কৰ্মশালাৰ শেষৰ দিনা শিক্ষাৰ্থীসকলে বিজ্ঞান আৰ্হি প্ৰস্তুত কৰি প্ৰদৰ্শনৰ ব্যৱস্থা কৰে। নেইষ্টৰ বিজ্ঞানী ডঃ ঋতুৰাজ কোঁৱৰে প্ৰদৰ্শনীখন উদ্বোধন কৰি অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। এইক্ষেত্ৰত ভৱিষ্যতে সহযোগিতা কৰাৰো তেওঁ প্ৰতিশ্ৰুতি দিয়ে। বাল্য ভৱনৰ মহাৰজত জয়ন্তী উদযাপন সমিতিয়ে আয়োজন কৰা কৰ্মশালা-প্ৰদৰ্শনীৰ সামৰণী অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ সদস্যসকল উপস্থিত থাকে। জয়ন্তীৰ উদযাপন সমিতিৰ সভাপতি নিৰুপম বৰুৱাই সভাপতিত্ব কৰা সভাখনৰ আঁতধৰে সমিতিখনৰ সম্পাদিকা, বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী জোনালী বৰাই। জয়ন্তীৰ প্ৰতিযোগিতা সমিতিৰ সদস্য মৌচুমী দত্ত, অভিজিৎ বৰা, ইয়াচমিন আহমেদ, লাভলি বৰদলৈ, অংকিতা কলিতাৰ বিশেষ সহযোগিতাৰ বাবে সম্পাদিকাই ধন্যবাদ আৰু কৃতজ্ঞতা জনায়।

# আগমনিত বিলাসী বাহনত চোৰাং গৰুসহ সৰবৰাহকাৰী আটক

**ই-সংবাদ, গোলকগঞ্জ, ২৬ মে':** ঈদৰ আগমুহূৰ্তত অসম-পশ্চিমবংগ সীমান্তত পুনৰ বৃদ্ধি পাইছে গৰুৰ অবৈধ ব্যৱসায়। আজি পুৱতি নিশা ধুবুৰী জিলাৰ আগমনি থানাৰ নৈশ টহলদাৰী আৰক্ষীৰ দলে পশ্চিমবংগৰপৰা অসমত প্ৰৱেশ কৰা এখন ইনোভাৰপৰা চাৰিটা চোৰাং গৰুসহ এজন গো সৰবৰাহকাৰীক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গোপন এক খবৰৰ ভিত্তিত নৈশ টহলদাৰী আৰক্ষীৰ দলটো মইচাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত খাপপিটি আছিল। পুৱতি নিশা পাঁচ বজাত কোচবিহাৰৰ পৰা গৌৰীপুৰ অভিমুখী AS 16 B 5152 নম্বৰৰ ইনোভা বাহনখন সন্মুখত আৰক্ষীৰ দলটোক দেখা পাই বাহন ৰখাই চালকজন পলায়নৰ চেষ্টা চলায়। আৰক্ষীৰ দলটোৱে তৎপৰতাৰে চালকৰূপী সৰবৰাহকাৰীজনক কৰায়ত্ত কৰে। ইপিনে, ইনোভাখনৰ দুৱাৰ খোলাত মুখ-ভৰি বন্ধা অৱস্থাত চাৰিটা গো-ধন উদ্ধাৰ কৰে। আটকাধীন সৰবৰাহকাৰীজন বঙাইগাঁৱৰ হাফাচৰা গাঁৱৰ আছান আলীৰ পুত্ৰ জামাল আলী (৩০)। আৰক্ষীয়ে যুৱকজনক আটক কৰি তদন্ত অব্যাহত থাকিছে। উল্লেখ্য যে যোৱা ২৩ মে'ৰ পুৱতি নিশাও আগমনি আৰক্ষীৰ টহলদাৰী দলে এখন পিকআপ ভেনত সাতটা চোৰাং গৰুসহ দুজনক আটক কৰিছিল। আটকাধীন সৰবৰাহকাৰীয়ে গৰুকেইটাৰ চোৰাং বেহাত জড়িত দুজন ব্যৱসায়ীৰ নাম নিজে স্বীকাৰ কৰিছিল। কিন্তু উক্ত চোৰাং ব্যৱসায়ত জড়িতক আৰক্ষীয়ে আটক কৰিব নোৱাৰা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে।

# পশ্চিম দৰঙৰ দৌলগুৰি পুখুৰী সংৰক্ষণৰ দাবী স্থানীয় লোকৰ

**ই-সংবাদ, দুনী, ২৬ মে':** পশ্চিম দৰঙৰ গভৰা আৰু মালিৰাৰী ৰাজহ গাঁৱৰ সীমামূৰীয়া দৌলগুৰি পুখুৰী সংৰক্ষণৰ দাবী জনাইছে অঞ্চলটোৰ ৰাইজে। প্ৰায় ২০ বিঘা মাটিকালিৰ বৃহৎ পুখুৰীটোৰ লগত আছে কেবাটাও সংবৰ্ধন আৰু পালন পুখুৰী। এসময়ত মাছৰ পোনা উৎপাদনৰ ক্ষেত্ৰত সফলতা লাভ কৰা দৌলগুৰি পুখুৰীটো মীন বিভাগে লীজত দিয়াৰ পিছৰেপৰা অৱহেলিত হৈ পৰিছে। পূৰ্বতে পুখুৰীৰ পূবপাৰাত এটি গৃহ নিৰ্মাণ কৰি ৰক্ষণাবেক্ষণৰ বাবে কৰ্মচাৰীও নিয়োজিত কৰিছিল মীন বিভাগে। সম্প্ৰতি বিভাগীয় কৰ্তৃপক্ষই দেখুওৱা চূড়ান্ত অৱহেলাৰ ফলত সংবৰ্ধন আৰু পালন পুখুৰীবোৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। চৰকাৰৰ বিয়াগোম মীন বিভাগে নিজাববীয়াকৈ মৎস্য উৎপাদন নকৰি আজি কেবা বছৰৰপৰা মৎস্য পালনৰ বাবে লীজত দিয়া ব্যৱস্থা কৰাৰ ফলত ৰাইজ ক্ষোভিত হৈ পৰিছে। লগতে চৰকাৰে পৰ্যাপ্ত ৰাজহৰপৰাও বঞ্চিত হৈছে। বৃহৎ পুখুৰীটোৰ পাৰকেইটা এতিয়া অব্যৱহৃত হৈ থকাত হাবি-বন গজি উঠিছে। উন্মুক্ত ইয়াৰ চাৰিসীমা। তদুপৰি উপযুক্ত সুৰক্ষাৰ অভাৱত দিনদুপৰতে একাংশ ব্যক্তিয়ে পুখুৰীটোৰ পাৰৰ গছ-গছনিবোৰ কাটি তহিলং কৰাত ক্ৰমান্বয়ে উদং হ'ব ধৰিছে ইয়াৰ পাৰবোৰ। ৰাইজে পুখুৰীটো পোনা মাছ উৎপাদন কেন্দ্ৰ হিচাপে গঢ় দিবলৈ আৰু সংৰক্ষণৰ ব্যৱস্থা কৰিবৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে।

# লাহৰীঘাটত চোৰাং গৰুসহ বাহন জব্দ

**ই-সংবাদ, লাহৰীঘাট, ২৬ মে':** মৰিগাঁও জিলাৰ লাহৰীঘাটত চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে আৰক্ষীয়ে চলোৱা অভিযানকালত দুখন বাহনত ভৰ্তি কৰি অনা ১৬ টা চোৰাং গৰুসহ ৩ জন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। তথ্য মতে, গোপন সূত্ৰৰ খবৰৰ ভিত্তিত যোৱানিশা লাহৰীঘাট থানাৰ অন্তৰ্গত বোৱালগুৰি গাঁৱত অভিযান চলাই ১৬ টা গৰুসহ AS-02-CC-0862 আৰু AS-01-MC-6983 নম্বৰৰ দুখন বাহন জব্দ কৰে আৰক্ষীয়ে। লগতে গৰু সৰবৰাহৰ লগত জড়িত তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোক তিনিজন হৈছে ক্ৰমে ৰেজাক আলী, ওৱাহিদুৰ ৰহমান আৰু গুলজাৰ হুছেইন। উল্লেখ্য যে বহুদিন ধৰি লাহৰীঘাট অঞ্চলক চোৰাং গৰু সৰবৰাহৰ এক কৰিডৰ হিচাপে ব্যৱহাৰ কৰি অহা বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। অধিক তথ্য সংগ্ৰহৰ বাবে লাহৰীঘাট আৰক্ষীয়ে ধৃত ব্যক্তিসকলক সোধা-পোচা অব্যাহত ৰাখিছে।

# বৃহত্তৰ বৰপেটাৰোড ব্যৱসায়ী সন্থাৰ বাৰ্ষিক অধিৱেশন সম্পন্ন

## নগাঁৱৰ ব্যৱসায়ী বিনোদ কুমাৰ ম'ৰক কৰ্মসূৰ্য্য বঁটা প্ৰদান

**ই-সংবাদ, বৰপেটাৰোড, ২৬ মে'ঃ** বৰপেটাৰোড সাহিত্য সভা ভৱনত দিনজোৰা কাৰ্যসূচীৰে বৃহত্তৰ বৰপেটাৰোড ব্যৱসায়ী সন্থাৰ ২০ সংখ্যক বাৰ্ষিক অধিৱেশনখন সম্পন্ন হয়। অধিৱেশনখন উপলক্ষে পুৱা পতাকা উত্তোলন কৰে বৃহত্তৰ বৰপেটাৰোড ব্যৱসায়ী সন্থাৰ সভাপতি ধীৰাজ দেউৰীয়ে। ছহিদ বেদীত মাল্য প্ৰদান কৰে বৃহত্তৰ বৰপেটাৰোড ব্যৱসায়ী সন্থাৰ সম্পাদক বিনয় কুমাৰ সাহাই। পৰৱৰ্তী কাৰ্যসূচীত ধীৰাজ দেউৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ লগতে বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনোৱা হয়। বৃহত্তৰ বৰপেটাৰোড ব্যৱসায়ী সন্থাৰ এইবাৰৰ কৰ্মসূৰ্য্য বঁটা প্ৰদান কৰে নগাঁও জিলাৰ ব্যৱসায়ী বিনোদ কুমাৰ ম'ৰক। আগন্তুক বৰ্ষৰ বাবে পুনৰ ধীৰাজ দেউৰীৰ সভাপতি আৰু বিনয় কুমাৰ সাহাক সম্পাদক হিচাপে লৈ ২১ জনীয়া এখন




শক্তিশালী কমিটি গঠন কৰা হয়। অসম চেম্বাৰ অব্ কমাৰ্চৰ কাৰ্যকৰী সভাপতি শিশিৰ দেৱ কলিতা, সম্পাদক বসন্ত কলিতা, গুৱাহাটী চেম্বাৰ অফ কমাৰ্চৰ সম্পাদক ৰাজেশ সিং, বৰপেটাৰোড শাখা সাহিত্য সভাৰ সভাপতি অৰূপ বায়ন, বিশিষ্ট সমাজসেৱক ধীৰাজ ডেকা, ৰাজেশ দাস, বৰপেটাৰোড পৌৰসভাৰ পৌৰপতি ৰাজেশ সৰকাৰৰ লগতে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি সভাত উপস্থিত থাকে।

# বিনামূলীয়া কম্পিউটাৰ প্ৰশিক্ষণৰ সামৰণী

**ই-সংবাদ, বাঁহজানী, ২৬ মে'ঃ** নলবাৰী-ধমধমা সংযোগী পথ ধনতলা ফ্ৰামৰ চ'কৰ সমীপত থকা নৱ-জীৱন ফাউণ্ডেচনৰ উদ্যোগত অনুষ্ঠিত বিনামূলীয়া কম্পিউটাৰ প্ৰশিক্ষণৰ আজি সফল সামৰণী পৰে। সামৰণী অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। বিভিন্ন সময়ত সামাজিক-শৈক্ষিক আদি কাম কৰি চৰ্চাত থকা এটা বেচৰকাৰী সংস্থা হ'ল নৱ-জীৱন ফাউণ্ডেচন। সংস্থাটোৰ উদ্যোগত ২৬ এপ্ৰিলৰপৰা ১৬ মে'লৈ বিশদিনীয়া বিনামূলীয়া কম্পিউটাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হয়। জিলাখনৰ ভিন্ন ঠাইৰ মুঠ ২৭ গৰাকী প্ৰশিক্ষাৰ্থীক অভিজ্ঞসম্পন্ন প্ৰশিক্ষকৰ দ্বাৰা বিনামূলীয়া কম্পিউটাৰ প্ৰশিক্ষণ দিয়া হয়। প্ৰমাণ-পত্ৰ প্ৰদান অনুষ্ঠান উপলক্ষে আয়োজিত সভাখন আঁতধৰে প্ৰশিক্ষণৰ অন্যতম প্ৰশিক্ষক জয়ন্ত কলিতাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আয়োজক অনুপ চৌধুৰীয়ে। সভাখন পৰিচালনা কৰাত সহায় কৰে সভাৰ আয়োজক জীৱনজ্যোতি নাথে। আনহাতে, প্ৰমাণ-পত্ৰ বিতৰণী অনুষ্ঠানত উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক শুভেচ্ছা জনোৱাৰ লগতে প্ৰমাণ-পত্ৰসমূহ প্ৰশিক্ষাৰ্থীসকলক বিতৰণ কৰে নলবাৰীৰ যুৱ সাংবাদিক মৃদুল কলিতাই। সাম্প্ৰতিক ডিজিটেল মাধ্যমৰ যুগত কম্পিউটাৰৰ তাৎপৰ্য ব্যাখ্যা কৰি আয়োজকসকলক ধন্যবাদ জনাই যুৱ সাংবাদিকগৰাকীয়ে। শেষত প্ৰশিক্ষণৰ মুখ্য প্ৰশিক্ষক জয়ন্ত কলিতাই উপস্থিত থাকি সকলোকে দিহা-পৰামৰ্শ দি কৃতজ্ঞতা জনায়।

# ডুমডুমাত অসম বিজ্ঞান সমিতিৰ গ্ৰাম্য বিজ্ঞান মেলাৰ সফল সামৰণি

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৬ মে':** অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ পৃষ্ঠপোষকতাত চলিত বৰ্ষৰ বিজ্ঞান প্ৰচাৰত ডিজিটেল মাধ্যমৰ ব্যৱহাৰ প্ৰকল্পৰ অধীনত অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাই ২৫-২৬ মে' তাৰিখে দুদিনীয়া বিস্তৃত তথা বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপাই চাইডিংস্থিত ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত গ্ৰাম্য বিজ্ঞান মেলা-২০২৫ অনুষ্ঠিত কৰে। বিজ্ঞান মেলাৰ প্ৰথম দিনাৰ কাৰ্যসূচী গছপুলি ৰোপণেৰে শুভাৰম্ভ কৰে বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই বিজ্ঞান মডেল প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীৰ উদ্বোধন কৰে। এই উপলক্ষে চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। অঞ্চলটোৰ বিভিন্ন বিদ্যালয়ৰ প্ৰায় ১৫০ জন ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰে চিত্ৰাংকন প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত হয়। লগতে ৬ খন বিদ্যালয়ৰ ৮৭ জন ছাত্ৰ-ছাত্ৰীয়ে ১৭টা বিজ্ঞান মডেল প্ৰদৰ্শন কৰে। আনহাতে, অঞ্চলটোৰ বিভিন্ন বিদ্যালয়ৰ ১০ টা দলে কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। ডুমডুমা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ সহঃ অধ্যাপকসকল ক্ৰমে শতাব্দী দত্ত, প্ৰদীপ নেৱাৰ আৰু জামিল হুছেইনে বিজ্ঞান মডেল আৰু কুইজ প্ৰতিযোগিতাৰ বিচাৰক আৰু কুইজ মাষ্টাৰ হিচাপে সহযোগিতা আগবঢ়ায়। বিশিষ্ট চিত্ৰশিল্পী বীৰেন শৰ্মাই চিত্ৰাংকন প্ৰতিযোগিতাত বিচাৰকৰ দায়িত্ব পালন কৰে। তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালৰ প্ৰতিনিধি হিচাপে দ্বিতীয় দিনৰ কাৰ্যসূচী উদ্বোধন কৰে ডুমডুমা সমজিলাৰ আয়ুক্ত নুজহাৎ নাছৰিনে। উদ্বোধনী সভাখনত পৌৰোহিত্য কৰে বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই। সভাত উদ্দেশ্য ব্যাখ্যা কৰে অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ সম্পাদক ধীৰেন ডেকাই। এই সভাতেই প্ৰথম দিনা অনুষ্ঠিত হৈ যোৱা প্ৰতিযোগিতাসমূহৰ বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়। বঁটাসমূহ প্ৰদান কৰে ডুমডুমা সমজিলাৰ আয়ুক্ত নুজহাৎ নাছৰিনে। বঁটা-বিতৰণী অনুষ্ঠানটি পৰিচালনা কৰে অভিজিত খাটনিয়াৰ আৰু শুভাশিস মল্লিকে। সভাত অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ কোষাধ্যক্ষ অৰ্জুন বৰুৱা, যুটীয়া সম্পাদক উৎপল পূজাৰী আৰু অন্যান্য সদস্যসকলেও অংশগ্ৰহণ কৰে। দ্বিতীয় দিনাৰ মূল কাৰ্যসূচীত অসম ৰাজ্যিক গ্ৰামীণ জীৱীকা মিছনৰ তিনিচুকীয়া জিলাৰ বিশেষজ্ঞসকলে জৈৱিক পদ্ধতিৰে কৃষি কাৰ্য, কৃষিক্ষেত্ৰত ড্ৰোন ব্যৱহাৰ, খাদ্য প্ৰস্তুতকৰণ আৰু প্ৰমাণীকৰণৰ বিভিন্ন পদ্ধতি প্ৰদৰ্শন কৰে। অসম ৰাজ্যিক গ্ৰামীণ জীৱীকা মিছনৰ তিনিচুকীয়াৰ জিলাৰ জীৱীকা আৰু বজাৰ বিষয়ক জিলা কাৰ্যবাহী বিষয়া শংকৰজ্যোতি হাজৰিকা, ডুমডুমা উন্নয়ন খণ্ডৰ খণ্ড সমন্বয়ক জয়ন্ত সোণোৱাল আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱীকা মিছনৰ যুৱ পেচাদাৰী পুষ্পাঞ্জলি গগৈয়ে সমল ব্যক্তিৰূপে অনুষ্ঠানত অংশ লয়। তেওঁলোকে কৃষিক্ষেত্ৰৰ বিভিন্ন দিশত ড্ৰোন কিদৰে ব্যৱহাৰ কৰিব পাৰি তাক প্ৰদৰ্শন কৰি দেখুওৱায়।

# আন্তঃৰাষ্ট্ৰীয় কাৰাটে ছেম্পিয়নশ্বিপত বেবেজীয়াৰ সাফল্য অৰ্জন

**ই-সংবাদ, বেবেজীয়া, ২৬ মে':** যোৱা ২৪ মে'ৰ পৰা দুদিনীয়াকৈ নেপাল চিট'-ৰিঅ' কাৰাটে স্কুলৰ ব্যৱস্থাপনাত তথা নেপাল কাৰাটে ড' ফেডাৰেচন আৰু নেপাল চিট'-ৰিঅ' কাৰাটে ড' এছ'চিয়েছনৰ সহযোগত অনুষ্ঠিত হোৱা একাদশ আন্তঃৰাষ্ট্ৰীয় কাৰাটে ছেম্পিয়নশ্বিপত নগাঁও জিলাৰ বেবেজীয়া কাৰাটে একাডেমীয়ে বিশেষ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। নেপালৰ মেছি নগৰৰ জাপাৰ কাকৰভিটাত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত চিহান পংকজ মুদৈৰ প্ৰশিক্ষণপুষ্ট বেবেজীয়া কাৰাটে একাডেমীৰ খেলুৱৈসকলে কাটা আৰু কুমিটেৰ বিভিন্ন শাখাত অংশগ্ৰহণ কৰি দুটা সোণসহ মুঠ দহটাকৈ পদক আজুৰি আনিবলৈ সক্ষম হয়। জানিব পৰা মতে, প্ৰতিযোগিতাখনিৰ ল'ৰাৰ চাব জুনিয়ৰ ১০-১১ বছৰ শাখাৰ কাটা আৰু ৩৫ কেজি কুমিটেত প্ৰজ্ঞাতজ্যোতি শইকীয়াই ক্ৰমে সোণ আৰু ৰূপৰ পদক, নিবিড় হাজৰিকাই ৰূপ আৰু ব্ৰঞ্জ তথা ৰিচিক নাথে কাটা আৰু কুমিটেৰ দুয়োটাতে ব্ৰঞ্জ লাভ কৰাৰ বিপৰীতে জুনিয়ৰ শাখাত নিলোৎপল বৰাই কাটাত ৰূপ আৰু কুমিটেত সোণ তথা প্ৰিন্সি শইকীয়াই কাটাত ৰূপ আৰু কুমিটেত ব্ৰঞ্জৰ পদক লাভ কৰি বেবেজীয়ালৈ গৌৰৱ কঢ়িয়াই আনিছে।

# ৰাষ্ট্ৰীয় পাৱাৰ লিফটিঙত সাফল্য পলাশবাৰীৰ

**ই-সংবাদ, মিৰ্জা, ২৬ মে':** মহাৰাষ্ট্ৰৰ কোহলাপুৰত ২১-২৫ মে'লৈ পাৱাৰ লিফটিং ইণ্ডিয়াৰ অধীনৰ মহাৰাষ্ট্ৰ ৰাজ্যিক শক্তি উত্তোলন এচোছিয়েশ্যনৰ উদ্যোগত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় শক্তি উত্তোলন ক্লাচিক প্ৰতিযোগিতাত দক্ষিণ কামৰূপৰ পলাশবাৰীৰ অনুপল চৌধুৰী আৰু ভিতালী দাসে সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাৰ ৬৬ কেজি শাখাত অনুপল চৌধুৰীয়ে ব্ৰঞ্জৰ পদক আৰু ৪৩ কেজি শাখাত ভিতালী দাসে ৰূপৰ পদক অৰ্জন কৰি সমগ্ৰ পলাশবাৰী অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। প্ৰশিক্ষক জ্যোতিষ্মান ভাগৱতীৰ তত্ত্বাৱধানত দুয়োগৰাকী খেলুৱৈয়ে পৰৱৰ্তী সময়ত পাৱাৰ লিফটিং প্ৰতিযোগিতাত সোণৰ পদক অৰ্জনৰ আশা কৰিছে।



জয়েৰে সামৰণি আইপিএল ২০২৫! গুজৰাট টাইটানছৰ বিৰুদ্ধে সহজ জয় ধোনীৰ চেন্নাই ছুপাৰ কিংগছৰ

## ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ দৰ্শনীয় প্ৰদৰ্শন অভিষেক শৰ্মাৰ

# পুত্ৰৰ এই সাফল্য যুৱৰাজৰ বাবেঃ প্ৰশংসাত গদগদ পিতৃ ৰাজকুমাৰ

**নতুন দিল্লী, ২৬ মে':** চলিত আইপিএল ছিজনত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ উজ্জ্বল প্ৰদৰ্শন দেখুৱাইছে যুৱ ক্ৰিকেটাৰ অভিষেক শৰ্মাই। অভিষেকৰ পিতৃ ৰাজকুমাৰ শৰ্মাই ভাৰতৰ প্ৰাক্তন ক্ৰিকেটাৰ যুৱৰাজ সিঙক পুত্ৰৰ 'সফল ছিজন'ৰ পিছত ধন্যবাদ জনাইছে। তেওঁ পুত্ৰৰ সফলতাত যুৱৰাজৰ অৱদান স্বীকাৰ কৰে। পিতৃয়ে কয় যে অভিষেকৰ ক্ৰিকেট যাত্ৰাত যুৱৰাজ সিঙৰ অৱদান অনস্বীকাৰ্য। তেওঁ যুৱৰাজৰ পৰা বিস্ফোৰক বেটিঙৰ বিশেষ প্ৰশিক্ষণ লাভ কৰিছিল। যিদৰে যুৱৰাজে বিপক্ষৰ বলাৰৰ বিৰুদ্ধে জিলিকিছিল ঠিক তেনেদৰে তেওঁৰ শিষ্যৰ বেটৰ ক্ষেত্ৰতো একেধৰণৰ আৰ্হি দেখা গৈছে। ৰাজকুমাৰ শৰ্মাই কয়, "যুৱৰাজ সিঙে অভিষেকৰ সফলতাত বহুখিনি অৰিহণা যোগাইছে। মোৰ ল'ৰাৰ বাবে যুৱৰাজে বহুত কষ্ট কৰিছে। অভিষেকেও যৎপৰোনাস্তি চেষ্টা কৰিছে। তেওঁৰ বাবেই তেওঁ নিজৰ কেৰিয়াৰত ইমান সফল হ'ব পাৰিছে। অভিষেকক লৈ আমি গৌৰৱান্বিত। কঠোৰ পৰিশ্ৰমে তেওঁক আগুৱাই লৈ গৈছে।" ৰাজকুমাৰ শৰ্মাই এই ছিজনত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ প্ৰদৰ্শন সন্দৰ্ভতো মন্তব্য কৰে। তেওঁ কয়, "এছআৰএইচ এটা অতি ভাল দল। এই বছৰ তেওঁলোকে কিয় আৰু মেচ জয় কৰিব নোৱাৰিলে নাজানো। আইপিএল আৰম্ভ হোৱাৰ সময়ত মই ভাবিছিলো যে ছানৰাইজাৰ্ছে ভাল প্ৰদৰ্শন কৰিব। অৱশ্যে তেনেকুৱাই হ'ব পাৰে। আশাকৰোঁ অহা বছৰ দলটোৱে উন্নত প্ৰস্তুতিৰে ঘূৰি আহিব। ছানৰাইজাৰ্ছে তেওঁলোকৰ যি অভাৱ আছে, সেইবোৰ পূৰণ কৰিব।" উল্লেখ্য যে, অভিষেক শৰ্মাই এইবাৰ ১৩ ইনিংছত ৪৩৯ ৰান সংগ্ৰহ কৰিছে। তেওঁৰ বেটিং গড় আছিল ৩৩.৭৬ আৰু ষ্ট্ৰাইক ৰেট আছিল ১৯৩.৩৯। ২৪ বছৰীয়া ক্ৰিকেটাৰগৰাকীয়ে এই ছিজনত দুটা অৰ্ধশতক আৰু এটা শতক অৰ্জন কৰিছে। পঞ্জাব কিংছৰ বিৰুদ্ধে ৫৫ বলত ১৪১ ৰান সংগ্ৰহ কৰা তেওঁৰ বিস্ফোৰক ইনিংছ এতিয়াও ক্ৰিকেট সমাজত চৰ্চিত বিষয়। এই আইপিএল ছিজনত হায়দৰাবাদে মুঠ ৬ খন মেচত জয়লাভ কৰি তালিকাৰ ষষ্ঠ স্থান দখল কৰে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি